www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আপুনি সৃজনশীলতা ব্যৱহাৰ কৰিলে সেয়া শেষ নহয়। অধিক ব্যৱহাৰ কৰিলে অধিক পাব। — মায়া এনজেলু

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ষষ্ঠ বছৰ | সংখ্যা - ১৯৯ | মঙ্গলবাৰ | ২৩ ছেপ্তেম্বৰ, ২০২৫ চন | ৬ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 199 | Tuesday | 23rd September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

■ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সন্মতি সাপেক্ষে চৰকাৰে কৰিব পৰীক্ষা ■

## আজি পুনৰ মৰোণোত্তৰ পৰীক্ষা কৰিব জুবিন গাৰ্গৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষা মঙলবাৰে পুৱা ৭: ৩০ বজাত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত (জিএমচিএইচ) সম্পন্ন হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেলৰ জৰিয়তে এই ঘোষণা কৰিছে। এই পৰীক্ষাৰ বাবে প্ৰায় এৰ পৰা দেওঘণ্টা সময়ৰ প্ৰয়োজন হ'ব। মৰণোত্তৰ পৰীক্ষাৰ পিছত জুবিনৰ নশ্বৰ দেহ পুনৰ সৰুসজাইলৈ নিয়া হ'ব, আৰু তাৰ পৰা তেওঁৰ শেষকৃত্যৰ বাবে ⏩ ৬ পৃষ্ঠাত

### গৰিমা সন্দৰ্ভত অশোভনীয় মন্তব্য কৰাসকল আহিব তদন্তৰ আওতাত



১৩ দিনৰ দিনা যোৰহাটত মাংগলিক অনুষ্ঠান

## জুবিন গাৰ্গৰ চিতাভস্ম নিয়া হ'ব যোৰহাটলৈ ঃ মুখ্যমন্ত্ৰী

### আজি বন্ধ থাকিব অসমৰ সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ১৩ দিনীয়া মাংগলিক অনুষ্ঠান যোৰহাটত পালন কৰা হ'ব। এই অনুষ্ঠানত জুবিনৰ পত্নী গৰিমা গাৰ্গৰ সৈতে পৰিয়ালৰ অন্যান্য সদস্যসকলো উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে যে, জুবিনৰ চিতাভস্ম ১৩ দিনৰ দিনা যোৰহাটলৈ নিয়া হ'ব। জুবিনৰ ⏩ ৬ পৃষ্ঠাত

### শান্তিপূৰ্ণভাৱে সম্পন্ন পঞ্চম বিটিচি নিৰ্বাচনৰ ভোটদান

**ষ্টাফ ৰিপৰ্টাৰ, কোকৰাঝাৰ, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ বড়ো টেৰিট'ৰিয়েল ৰিজ'ন (বিটিআৰ)ৰ পঞ্চম নিৰ্বাচনৰ ভোটগ্ৰহণ ⏩ ৬ পৃষ্ঠাত



জুবিনৰ অন্তিম সংস্কাৰৰ বাবে হাতীমূৰা কমাৰকুছিত যুদ্ধকালীন প্ৰস্তুতি

# আজি পঞ্চভূতত বিলীন হ'ব মহানায়ক

■ অন্তিম সংস্কাৰৰ বাবে হাতীমূৰা কমাৰকুছিত যুদ্ধকালীন প্ৰস্তুতি ■

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ** আজি গুৱাহাটীৰ সমীপৰ সেউজীয়া প্ৰকৃতিৰ বুকুত ডিমৰীয়াৰ সেউজীয়াৰ মাজত শেষ হ'ব নিজানৰ গান। সংগীতৰ যাদুকৰী যাত্ৰা সামৰি মঙলবাৰে পঞ্চভূতত বিলীন হ'ব যুগান্তকাৰী অসমীয়া মহানায়ক জুবিন গাৰ্গ। নিজানে-নিতালে চিৰদিনৰ বাবে শুব জুবিন গাৰ্গ। শুব নহয়, আজি সৰুসজাইত নিস্তব্ধ হৈ শুই থকা জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ পঞ্চভূতত বিলীন হৈ যাব। ⏩ ৬ পৃষ্ঠাত

### বিটিচিত বিপিএফএ সংখ্যাগৰিষ্ঠতা লাভ কৰি গঠন কৰিব চৰকাৰ ঃ হাগ্ৰামা

**ষ্টাফ ৰিপৰ্টাৰ, কোকৰাঝাৰ, ২২ ছেপ্টেম্বৰ ঃ** বড়ো টেৰিট'ৰিয়েল ৰিজ'ন (বিটিআৰ) নিৰ্বাচনত বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ ⏩ ৬ পৃষ্ঠাত

### গুৱাহাটীত লাখ লাখ জনতাৰ ভিৰ; শোকস্তব্ধ সমগ্ৰ ৰাজ্য



## জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ বিশ্বৰেকৰ্ড



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু, নয়নৰ মণি, ১৯৭২ চনৰ ১৮ নৱেম্বৰত জন্মগ্ৰহণ কৰা জনপ্ৰিয় গায়ক আৰু সংগীতজ্ঞ জুবিন গাৰ্গৰ ৫৩ বছৰ বয়সত ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত সাঁতোৰৰ সময়ত হোৱা ⏩ ৬ পৃষ্ঠাত

উপাচাৰ্য অধ্যাপক শম্ভুনাথ ছিঙৰ ছাত্ৰ-ছাত্ৰীক উপলুঙা

### জুবিনক অসন্মান! উত্তপ্ত তেজপুৰ বিশ্ববিদ্যালয়, ছাত্ৰ-ছাত্ৰীৰ ৰোষত উপাচাৰ্য



**অসম বাৰ্তা, তেজপুৰ, ২২ ছেপ্টেম্বৰ ঃ** অসমীয়া সংগীতৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত তেজপুৰ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই শ্ৰদ্ধাঞ্জলি জনোৱাত ব্যৰ্থ হোৱাৰ অভিযোগত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদে শেহতীয়া দিনকেইটাত বিশ্ববিদ্যালয়ৰ ⏩ ৬ পৃষ্ঠাত

সাধাৰণ ৰাইজৰ সৈতে অংশগ্ৰহণৰ নিৰ্দেশ

## ভিআইপি-ভিভিআইপিৰ বাবে নাথাকিব শেষকৃত্যত বিশেষ ব্যৱস্থা

### ২ বজাৰ পিছত দোকান-পোহাৰ বন্ধ কৰিববলৈ চেষ্টা কৰিলে লোৱা হ'ব কঠোৰ ব্যৱস্থা ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ শেষকৃত্যৰ অনুষ্ঠানত নিৰ্দিষ্ট কেইজনমানৰ বাহিৰে কোনো ভিআইপি বা ভিভিআইপিৰ বাবে বিশেষ ব্যৱস্থা থাকিব নোৱাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে যে, মন্ত্ৰী বা বিধায়কসকলে উপস্থিত থাকিলেও তেওঁলোকে সাধাৰণ জনতাৰ সৈতে একেলগে ⏩ ৬ পৃষ্ঠাত



### ইংৰাজী আৰু অসমীয়া ভাষাত অনুষ্ঠিত হ'ব এপিএছচিৰ পৰীক্ষা

**অসম বাৰ্তা, গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** অসম লোকসেৱা আয়োগে এতিয়া ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে সংযুক্ত প্ৰতিযোগিতামূলক ⏩ ৬ পৃষ্ঠাত

### কেন্দ্ৰীয় চৰকাৰৰ অব্যৱহৃত পুঁজি তিনিদিনৰ ভিতৰত ঘূৰাই দিয়াৰ নিৰ্দেশ ৰাজ্য চৰকাৰলৈ

**অসম বাৰ্তা, বেলতলা, ২২ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ অব্যৱহৃত পুঁজি তিনিদিনৰ ভিতৰত ঘূৰাই দিয়াৰ বাবে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে কেন্দ্ৰীয় বিত্ত বিভাগে। বিত্ত বিভাগে এক পত্ৰযোগে জনাইছে ⏩ ৬ পৃষ্ঠাত

### ছেপ্টেম্বৰ মাহত আগতীয়াকৈ মাহিলী দৰমহা মুকলিৰ নিৰ্দেশ ৰাজ্য চৰকাৰৰ

**অসম বাৰ্তা, বেলতলা, ২২ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গা পূজা উপলক্ষে চাকৰিয়ালসকলৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰে ছেপ্টেম্বৰ মাহৰ দৰমহা আগতীয়াকৈ দিয়াৰ নিৰ্দেশনা জাৰি কৰিছে। সূত্ৰৰপৰা জানিব পৰা মতে পূৰ্বৰ ⏩ ৬ পৃষ্ঠাত

তিনিচুকীয়া-গুৱাহাটী যাত্ৰীসকলক বিকল্প পথ ব্যৱহাৰৰ নিৰ্দেশ

## জুবিনৰ নশ্বৰদেহ যোৰহাটলৈ অনাৰ দাবীত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ

**ষ্টাফ ৰিপটাৰ, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ** যোৰহাটত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধৰ বাবে তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ অথবা গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ যাতায়াত কৰা বাহনসমূহক বিকল্প পথ ব্যৱহাৰৰ আহ্বান জনাইছে যোৰহাট আৰক্ষীয়ে। অজন্তা বাইপাছৰ সমীপত পশ্চিম দিশৰ পৰা যোৰহাট ⏩ ৬ পৃষ্ঠাত



### যোৰহাটৰ উত্তেজনাৰ আঁৰত সাংবাদিক ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, যোৰহাট, ২২ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ সৰুসজাইত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক তেওঁৰ অনুৰাগীসকলে শান্তিপূৰ্ণভাৱে শেষ শ্ৰদ্ধা জনাইছে। জুবিনৰ মৃত্যুৰ খবৰ প্ৰকাশৰ পিছত প্ৰথম দিনা গুৱাহাটীত কিছু ⏩ ৬ পৃষ্ঠাত

"উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যক লক্ষ্মী দেৱীৰ ৰূপ বুলি গণ্য কৰোঁ"

## অৰুণাচল প্ৰদেশত ৫,১২৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰী মোদীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমবাৰে এদিনৰ বাবে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিছিল। পুৱা ১১ বজাত বিশেষ বিমানযোগে ইটানগৰত উপস্থিত হৈ তেওঁ আই জি পাৰ্কত স্থানীয় ব্যৱসায়ীসকলৰ সৈতে আলোচনাত মিলিত হয়। এই বৈঠকত তেওঁ জি এছ টি সংস্কাৰৰ পিছৰ ব্যৱসায়ৰ ⏩ ৬ পৃষ্ঠাত



### জি এছ টি ৰাহি উৎসৱক সমগ্ৰ দেশৰ পৰিয়াল-সমূহৰ বাবে স্মৰণীয় মাইলৰ খুঁটি বুলি অভিহিত



# পুৰণিগুদামৰ বিশিষ্ট নাট্যশিল্পী-শিক্ষাবিদ বুদ্ধিনাথ কলিতাৰ মৃত্যু

## পুৰণিগুদাম গভীৰ শোঁকৰ ছাঁ

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম নামপানীগাঁৱৰ নিৱাসী, বিশিষ্ট নাট্যশিল্পী, শিক্ষাবিদ তথা সাহিত্যিক বুদ্ধিনাথ কলিতা (৮৫)ৰ যোৱা কালি সন্ধিয়া প্ৰায় ৫ মান বজাত বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনত মৃত্যু হোৱাত বৃহত্তৰ অঞ্চলটোত গভীৰ শোঁকৰ ছাঁ পৰিছে। পুৰণিগুদাম নামপানীগাঁৱৰ নিৱাসী প্ৰয়াত চেনিৰাম কলিতা আৰু প্ৰয়াত জোনাকী কলিতাৰ জ্যেষ্ঠ পুত্ৰ বুদ্ধিনাথ কলিতাই ১৯৪০ চনৰ ১ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰি হালোৱাগাঁও এল পি স্কুলত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰে আৰু পৰৱৰ্তী সময়ত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰ পৰা ১৯৫৮ চনত প্ৰৱেশিকা উত্তীৰ্ণ হৈ পাছত নগাঁও কলেজৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। প্ৰৱেশিকা উত্তীৰ্ণ হৈয়েই কলিতাই ডবকাৰ সমীপৱৰ্তী দক্ষিণ ভেদৌ আঁটি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলি পাছত শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ত সহঃশিক্ষক হিচাপে যোগদান কৰে। ১৯৮৮ চনত মাৰাৰ এম ই স্কুলত প্ৰধান শিক্ষক পদত যোগদান কৰি পাছত কলংপাৰ হালোৱাগাঁও এম ই স্কুলত কাৰ্যনিৰ্বাহ কৰি ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষাদানক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা সৰবৰহী আৰু অমায়িক স্বভাৱৰ লোকজনে অৱসৰৰ পাছতো পুৰণিগুদাম বিদ্যানিকেতনত শৈক্ষিক সঞ্চালক আৰু শ্ৰীমন্ত শঙ্কৰ সংঘৰ পূৰ্বাঞ্চলিক শাখাৰ দ্বাৰা পৰিচালিত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী বলিষ্ঠ অভিনেতা, নাট্যকাৰ তথা বিশিষ্ট নাট্যশিল্পী হিচাপে জনসমাদৃত লোকজন বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত থকাৰ লগতে সদৌ অসম দৃষ্টিহীন শিক্ষক সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯৫০ চনত প্ৰথমবাৰৰ বাবে অসমীয়া ভাওনা "দাতাকৰ্ণ" নাটকত বিষকেতু চৰিত্ৰত অভিনয় জীৱন আৰম্ভ কৰি পৰৱৰ্তী ২০০৫ চনলৈকে সৰ্বমুঠ ৩১খন নাটকত বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰিছিল। ঠিক সেইদৰে বিভিন্ন সময় আৰু স্থানত মঞ্চস্থ হোৱা ৪২ খনকৈ থিয়েটাৰৰ নাটকত বলিষ্ঠ অভিনয় কৰিছিল। প্ৰয়াত কলিতাই দুখনকৈ বঙলা নাটকৰ ভাবানুবাদ কৰাৰ লগতে ৯ খনকৈ একাঙ্কিকা আৰু পূৰ্ণাংগ নাট ৰচনা কৰিছিল। অসমৰ আগশাৰীৰ বাতৰিকাকত, আলোচনী আৰু স্মৃতিগ্ৰন্থ সমূহত তেখেতে বহু চিন্তাগধুৰ প্ৰবন্ধ, নিবন্ধ লিখি সাহিত্যিক হিচাপেও পৰিচয় দিবলৈ সক্ষম হৈছিল। অসম নাট্য সন্মিলনৰ আজীৱন সদস্য এইগৰাকী ব্যক্তি পুৰণিগুদাম নাট্য সন্মিলনৰ প্ৰাক্তন সভাপতি, ৰূপালী নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি, অসম শঙ্কৰ মিশ্যনৰ সম্পাদক আদিকে ধৰি বহু অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ দায়িত্বত কাৰ্যনিৰ্বাহ কৰি সততা, দৃঢ়তা, কৰ্মনিষ্ঠাৰ পৰিচয় দিয়াৰ লগতে নিষ্ঠাবান সৎ ব্যক্তি হিচাপে তেওঁ ৰাইজৰ সমাদৰ লাভ কৰিছিল। তেওঁৰ মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে বহু গুণমুগ্ধ তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সমাজসেৱক গৰাকীৰ মৃত্যুত নাট্য সন্মিলন, পুৰণিগুদাম শাখা, শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ পূৰ্বাঞ্চলিক শাখা, পুৰণিগুদাম শতদল সাহিত্য সভা প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল তেওঁৰ বাসগৃহত উপস্থিতহৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। বুদ্ধিনাথ কলিতাই মৃত্যুৰ সময়ত দুইজন পুত্ৰ- বোৱাৰী, এগৰাকী জী-জোঁৱাই আৰু নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক পৰিয়ালবৰ্গক ইহসংসাৰত এৰি থৈ যায়। পুৰণিগুদামৰ সাংস্কৃতিক ক্ষেত্ৰৰ স্বনামধন্য ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোঁকৰ ছাঁ পৰিছে।

## কচুৱাৰ জুকুটাত জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, কচুৱা, ২১ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ ১ নং জুকুটা নামঘৰ প্ৰাংগনত অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জনাই শিল্পী গৰাকীৰ আত্মাৰ সদগতিৰ বাবে ১ মিনিট মৌন প্ৰাৰ্থনা কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰিয় শিল্পী গৰাকীক তেওঁৰ বিভিন্ন গীত-মাতে শ্ৰদ্ধাঞ্জলি জনাই আবেগিক হৈ পৰে অঞ্চলবাসী। উল্লেখ্য যে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ ৰাজ্যজুৰি শোকৰ ছাঁ পৰাৰ লগতে নিস্তব্ধ হৈ পৰে সকলো।

দোকান-বজাৰ বন্ধ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ শ্ৰদ্ধাঞ্জলি

# জুবিন গাৰ্গৰ মৃত্যুত আজিও শোকস্তব্ধ পুৰণিগুদাম

**কেনভাছত জুবিন গাৰ্গৰ চিত্ৰ অংকন কৰি শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি প্ৰাণজিৎ চাংমাইৰ**

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ ছেপ্টেম্বৰ ঃ** বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত আজিও শোকস্তব্ধ সমগ্ৰ ৰাজ্যৰ লগতে বৃহত্তৰ পুৰণিগুদাম অঞ্চল। আজি পবিত্ৰ মহালয়াৰ দিনটোত পুৰণিগুদামত নাই আনন্দ-উল্লাস। পূৰ্বৰ বছৰৰ সমূহত মহালয়াৰ দিনটোত পুৱতি নিশাৰ পৰা ৰাজপথলৈ ভক্তপ্ৰাণ ৰাইজ ওলাই আহে। এই দিনটো দেৱী দুৰ্গা ধৰালৈ আহে বাবে সকলোয়ে পুৱাতেই দেৱীৰ আশীৰ্বাদ ল'বলৈ খোজ কাঢ়ে। এই পবিত্ৰ দিনটোত নিজৰ মৰমৰ শিল্পীজনৰ মহাপ্ৰয়াণৰ তৃতীয় দিনটোত শোকত ভাগি পৰিছে সমগ্ৰ ৰাজ্যবাসী। লাখ-লাখ জনতাই আজি আপোন শিল্পীজনক চাবলৈ ভিৰ কৰে সৰুসজাইত। ইয়াৰ উপৰিও বিমান বন্দৰৰ পৰা অনাৰ সময়ত পথৰ কাষত হাজাৰ হাজাৰ জনতাই শ্ৰদ্ধা জনাই প্ৰিয় শিল্পীজনক। আজি বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা আৰু পুৰণিগুদাম জ্যেষ্ঠ নাগৰিক মঞ্চৰ যৌথ উদ্যোগত আজিৰ দিনৰ ১০ বজাত পুৰণিগুদাম বাপুজী ভৱনত অনুষ্ঠিত অসমীয়াৰ হিয়াৰ আমঠু, জনকণ্ঠ, সুৰসম্ৰাট জুবিন গাৰ্গলৈ তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি প্ৰদান আৰু তেওঁৰ গীতৰাজি সমৃদ্ধ শিল্পীজীৱনৰ গুণাৱলীৰে স্মৃতিচাৰণ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে মহান শিল্পীজনাৰ বিদেহ আত্মাৰ পৰম সদ্‌গতি কামনাৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দ্বীপেন বৈৰাগী আৰু তিলক চন্দ্ৰ গায়নে আঁট ধৰা অনুষ্ঠানটিত শিল্পীজনাৰ বহু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে, পুৰণিগুদামৰ সমীপৰ চলচলি সৰ্বজনীন দুৰ্গাপূজা মন্দিৰ প্ৰাংগণত সন্ধ্যা অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। স্থায়ী মাৰ্বলৰ দুৰ্গা প্ৰতিমাৰে পূজা অনুষ্ঠিত হোৱা মন্দিৰত সন্ধ্যা অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ লগতে স্থানীয় ৰাইজে মৰমৰ শিল্পীজনৰ প্ৰতিচছবিত শ্ৰদ্ধাঞ্জলি জনায়। ইফালে, আজি চলচলিৰ নলবৰাগাঁও ৰাইজে শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনাবলৈ গাঁৱৰ পৰা সন্ধ্যা এক বিশাল ৰেলী বাহিৰ কৰি শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰিও পুৰণিগুদাম গড়মূৰৰ ৰাইজে শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনাবলৈ এক বিশেষ সভা অনুষ্ঠিত কৰাৰ লগতে এক ৰেলী বাহিৰ কৰি শ্ৰদ্ধাঞ্জলি জনায়। ইফালে, আজি সন্ধ্যা পুৰণিগুদাম কেএণপট্টি ব্যৱসায়ী সন্থা আৰু স্থানীয় ৰাইজে শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনাবলৈ এক বিশেষ সভাৰ আয়োজন কৰে। সাংস্কৃতিক কৰ্মী কুলপ্ৰদীপ দাসে আঁত ধৰা বিশেষ সভাখনত শিল্পীজনৰ গীতেৰে মুখৰিত কৰাৰ লগতে চিত্ৰশিল্পী প্ৰাণজিৎ চাংমাইয়ে কেনভাছত জুবিন গাৰ্গৰ এখন চিত্ৰ অংকন কৰি শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ উপৰিও এটা গছপুলি ৰোপণ কৰি শিল্পীজনলৈ শ্ৰদ্ধা জনাই পুৰণিগুদাম জিলা পৰিষদ সদস্য মিণ্টু শৰ্মাই। যোৱা ১৯ ছেপ্টেম্বৰত অসমবাসীৰ প্ৰাণৰো প্ৰাণ শিল্পী গৰাকীৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে-লগে পুৰণিগুদামত অনিৰ্বাণ গোষ্ঠী, চম্পাৱতী বিহু উদযাপন সমিতি, পুৰণিগুদাম প্ৰেছ ক্লাবৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে পুৰণিগুদাম বাসীৰ সহযোগত শোকসভা, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰাৰ লগতে কালি নিশা পৰ্য্যন্ত পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে মৰমৰ শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনাবলৈ তেওঁৰ গীতৰে এক বিশাল ৰেলী বাহিৰ কৰে। অসমৰ ভিতৰতে সংস্কৃতি বান অঞ্চল হিচাপে পৰিচিত বৃহত্তৰ পুৰণিগুদামত গাঁৱে-ভূঞে, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰিয় শিল্পীজনৰ মহাপ্ৰয়াণত আজিও শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিছে।

## জুবিন গাৰ্গলৈ সন্মান জনাই বন্ধ সমগ্ৰ মৈৰাবাৰী




**অসম বাৰ্তা, মৈৰাবাৰী, ২১ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিটো জাতি জনগোষ্ঠী প্ৰতিটো ধৰ্মাৱলম্বী লোকৰ হৃদয়ত জুবিন গাৰ্গ জীয়াই থাকিব চিৰকাল। আজি সমগ্ৰ মৈৰাবাৰী টাউনৰ দোকান-পোহাৰ বন্ধ ৰখা হয়। নিস্তেজ হৈ পৰিল মৈৰাবাৰীৰ পৰিৱেশ। ইয়াৰ পৰা প্ৰমাণ হয় জুবিন গাৰ্গ অসমৰ প্ৰতিজন ব্যক্তিৰ হৃদয়ত আছে। ছিংগাপুৰৰ সাগৰত স্কুবা ডাইভিং কৰিবলৈ গৈ অকালতে মৃত্যুক সাবটি লোৱা প্ৰসিদ্ধ সংগীত শিল্পী, অভিনেতা, বোলছবি পৰিচালক, যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতি মৈৰাবাৰীবাসীয়ে গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। প্ৰিয় শিল্পীজনৰ মৃত্যুৰ বাতৰি পাই শোকত ম্ৰিয়মাণ হৈ পৰিছে মৈৰাবাৰী সংগীত জগতৰ লগতে সকলো শ্ৰেণীৰ ৰাইজ। সন্ধিয়া ৬ বজাত মৈৰাবাৰী প্ৰেছ ক্লাব, মৈৰাবাৰী ব্যৱসায়িক সন্থা, বজাৰ পৰিচালনা কমিটি, মুছলিম ছাত্ৰ সন্থা, ভাৰত স্কাউট এণ্ড গাইড আৰু বিভিন্ন দল-সংগঠন স্বতঃস্ফুৰ্তভাৱে মৈৰাবাৰী অঞ্চলৰ জুবিনৰ অনুৰাগী সকল ওলাই আহি মৈৰাবাৰী বজাৰৰ তিনি আলিত ৰাজহুৱা ভাৱে বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## ৰাষ্ট্ৰীয় পথৰ উৰণীয়া সেঁতুত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন

# জুবিনৰ মৃত্যুত জাঁজীৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, জাঁজী, ২১ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ ভোটাতৰা জুবিন গাৰ্গৰ চিংগাপুৰত আকস্মিক মৃত্যুত সমগ্ৰ অসমৰ লগতে জাঁজীতো শোকাকুল পৰিৱেশ আজিও বিৰাজমান হৈ আছে আৰু বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈ আছে। আজি জাঁজী নাট্য সমাজ কলা ভৱন পৰিচালনা সমিতিৰ উদ্যোগত ইয়াৰ প্ৰাংগনত অনুষ্ঠিত হোৱা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে আমগুৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰীজ্যোতি দত্তই। অনুষ্ঠানত জাঁজী আঞ্চলিক ছাত্ৰ সন্থা, জাঁজী প্ৰেছ ক্লাব, জামুগুৰি ফুটবল কোচিং চেণ্টাৰ, জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজ, জাঁজী নাট্য সমাজ কলা ভৱন, জাঁজী শাখা সাহিত্য সভা, জাঁজী শাখা কবি সন্মিলন, তামোলীছিগা সৰ্বজনীন পূজা মন্দিৰ, লাহোৱাল পূজা মন্দিৰ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, জাঁজী চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু নিকেতন, জামুগুৰি ডি, ফিটনেছ চেণ্টাৰ, শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘ, শিৱসাগৰ জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা, ফুলপানীছিগা আঞ্চলিক ৰাস উদ্‌যাপন সমিতি, কৃষক ন্যাস, জাঁজী লেখিকা সংস্থা, উত্তৰ পুৰুষৰ মঞ্চ, জামুগুৰি আধ্যাত্মিক চিন্তাচৰ্চা কেন্দ্ৰ, স্থানীয় বিভিন্ন শিক্ষানুষ্ঠান আদিয়ে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়। জাঁজী গড়মূৰতো আজি স্থানীয় ৰাইজে এহেজাৰ বন্তি প্ৰজ্বলন কৰে। চিত্ৰশিল্পী মৌচম গগৈয়ে জাঁজী গড়মূৰত নতুনকৈ স্থাপন কৰা উৰণীয়া সেঁতুত জুবিনৰ বৃহৎ প্ৰতিচ্ছবি অংকন কৰি সমাদৰ লাভ কৰে। আনহাতে তামূলীছিগা জ্ঞান বিকাশ পুথিভঁৰাল আৰু বিৰিখ মইনা পাৰিজাতৰ উদ্যোগত তামূলীছিগা জ্ঞান বিকাশ পুথিভঁৰাল প্ৰাংগণতো অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে কাকজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক ডিম্বেশ্বৰ বৰা আৰু সমাজকৰ্মী যোগেন চাৰিঙীয়াই। আনহাতে কালি তামূলীছিগাৰ স্থানীয় যুৱক সকলৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত তামোলীছিগাস্থিত জুবিন গাৰ্গৰ পিতৃ গৃহৰ সন্মুখত ললিত চন্দ্ৰ ৰাজখোৱা পথৰ কাষত আয়োজিত জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে স্থানীয় সমাজকৰ্মী মুকুল দত্ত আৰু হৰেশ দত্তই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট দিহানাম শিল্পী কমলা গগৈ আৰু ঘণকান্ত বড়া মহাবিদ্যালয় অধ্যক্ষ ড° দেৱজিৎ বড়াই। সমবেত জনতাই সমদল যাত্ৰা কৰি তামূলীছিগাৰ জাঁজী নদীৰ দলঙলৈ গৈ বন্তি প্ৰজ্বলন কৰে। সমগ্ৰ কাৰ্যসূচীত চাৰি সহস্ৰাধিক জনতাই স্বতঃস্ফূৰ্ত ভাৱে অংশগ্ৰহণ কৰে। ইয়াৰোপৰি তামোলী ছিগা দলঙৰ ওপৰত বন্তি জ্বলাই জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি কামনা কৰে।

## মেৰাপানী চলংপথাৰত জুবিনৰ সদ্‌গতি কামনাৰে মটৰ-চাইকেল শুভাযাত্ৰা

**অসম বাৰ্তা, মেৰাপানী, ২১ ছেপ্টেম্বৰ ঃ** জুবিনবিহীন অসম এতিয়া স্তব্ধ, নীৰৱ, শোকত ম্ৰিয়মাণ। সকলোৱে জনাইছে জুবিনক শ্ৰদ্ধাঞ্জলি, মেৰাপানী চলংপথাৰতো জুবিনৰ অনুৰাগী সকলে শিল্পী গৰাকীলৈ জনাইছে শ্ৰদ্ধাঞ্জলি চলংপথাৰ বজাৰ চাৰিআলিৰ পৰা মেৰাপানী হৈ নৰগ্ৰাম বৰডুবি চলংপথাৰলৈকে শতাধিক জুবিনৰ অনুৰাগীয়ে জুবিনৰ আত্মাৰ সদগতিৰ কামনা কৰি এক মটৰ চাইকেল শোভাযাত্ৰা কৰে।

## গৰৈমাৰীত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, গৰৈমাৰী, ২১ ছেপ্টেম্বৰ ঃ** আদৰৰ শিল্পী তথা সংগীত জগতৰ নক্ষত্ৰ জুবিন গাৰ্গৰ মহাপ্ৰয়াণত শোকাৰ্ত হৈ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। গৰৈমাৰী বজাৰত আজি গৰৈমাৰী ভাই ভাই ই-ৰিস্কা এচছিয়েচনৰ উদ্যোগত আদৰৰ শিল্পী তথা যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত এফ এ আহমেদ মহাবিদ্যালয়ৰ অধ্যাপক নাছিৰ উদ্দিন আহমেদ, অধ্যাপিকা বেগম মঞ্জু আহমেদ, অৱসৰী শিক্ষক হাতেম আলী, আঞ্জুমানি চিৰাতুন্নবী লাইব্ৰেৰীৰ সভাপতি আজিজুৰ ৰহমান চৌধুৰী, সমাজকৰ্মী নুৰুল ইছলাম, আমজাদ আলী, গৰৈমাৰী ভাই ভাই ই-ৰিস্কা এচছিয়েচনৰ সভাপতি আব্দুৰ ৰহিম, সাধাৰণ সম্পাদক আব্দুৰ ৰেজ্জাককে প্ৰমুখ্য কৰি গৰৈমাৰী ভাই ভাই ই-ৰিস্কা এচছিয়েচনৰ কৰ্মকৰ্তা ও ভালেসংখ্যক বাহন চালক তথা জুবিন গাৰ্গৰ অনুগামী সকল উপস্থিত থাকি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰয়াত হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ বিয়োগত মৰ্মাহত হৈ আজি পুৱাৰে পৰা বন্ধ ৰখা হয় মফচলীয়া চহৰ গৰৈমাৰী বজাৰ। জানিব পৰামতে গৰৈমাৰী বজাৰ সমিতি, ব্যৱসায়ী সন্থাই কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি বন্ধ ৰাখে গৰৈমাৰী বজাৰৰ সকলো ব্যৱসায়-প্ৰতিষ্ঠানসমূহ।

## ডিব্ৰুগড়ত 'গুড মৰ্ণিং ইণ্ডিয়া-ৱেক আপ গাইজ'ৰ জুবিনক শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ চৌকিডিঙীত পুৱাতে 'গুড মৰ্ণিং ইণ্ডিয়া- ৱেক আপ গাইজ'ৰ সদস্য-সদস্যাসকল একত্ৰিত হৈ - জনপ্ৰিয় কণ্ঠশিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গ তথা মৰমৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। নগৰখনৰ চৌকিডিঙী খেলপথাৰৰ প্ৰাঙ্গনত মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে এই অনুষ্ঠানটোৱে। সমাজ সেৱক ভূপেন গগৈয়ে আঁতধৰা অনুষ্ঠানত শিল্পীগৰাকী বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি তথা প্ৰাৰ্থনা সভাৰ আয়োজন কৰি এভাগী মহাপুৰষীয়া ঘোষাৰে প্ৰাৰ্থনা জনাই মৰমৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। অনুষ্ঠানত বক্তব্য আগবঢ়ায় চান গোহাঁই, মানস জ্যোতি দত্ত, লেখিকা সুৰজিতা সন্দিকৈ গগৈ আৰু চাজান হালাকা আদিয়ে।

নপ্তিপাৰা, জয়সাগৰ, জাগাৰাত সমূহীয়া বন্তি প্ৰজ্বলন

# বৰক্ষেত্ৰীত শোকাকূল পৰিৱেশ

## বৰক্ষেত্ৰীৰ জাগাৰাত সাতদিনীয়াকৈ শোক প্ৰকাশৰ সিদ্ধান্ত অঞ্চলবাসীৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২১ ছেপ্টেম্বৰ ঃ** বৰক্ষেত্ৰী জাগাৰাত যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিত শোক প্ৰকাশ কৰাৰ লগতে সাতদিনলৈ শোক প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি পুৱাৰে পৰাও বৃহত্তৰ জাগাৰা আৰু জয়সাগৰ আদি অঞ্চলত দিনে নিশাই সমদল বাহিৰ কৰিছে জুবিন অনুৰাগীসকলে। লগতে বৃহত্তৰ বৰক্ষেত্ৰী অঞ্চলৰ ব্যৱসায়ীসকলে আজি দুদিন ধৰি শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি ব্যৱসায় প্ৰতিষ্ঠান বন্ধ ৰাখে। আজি তৃতীয় দিনাও জাগাৰাত শিল্পীগৰাকীৰ স্মৃতিত স্থানীয় ৰাইজৰ সহযোগত দিনজোৰা বাইক ৰেলীৰ আয়োজন কৰে জাগাৰা যুৱ মঞ্চই। আজি সন্ধিয়াৰ ভাগতো জাগাৰা যুৱ সমাজৰ উদ্যোগত জাগাৰা সভাগৃহৰ চৌহদত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে অঞ্চলটোত সাতদিনলৈ জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তিৰ বাবে বন্তি প্ৰজ্বলন চলি থাকিব বুলি জনাইছে স্থানীয় সচেতন মহলে। আনহাতে, যোৱা নিশা বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ১ নং জয়সাগৰতো শিল্পীগৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ বাবে ৰাজহুৱাকৈ বন্তি প্ৰজ্বলন কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে মৌন সমদল বাহিৰ কৰে সমূহ গাওঁবাসীয়ে। মুঠতে, সমগ্ৰ বৰক্ষেত্ৰীত শিল্পীগৰাকীৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ পৰিছে বৃহত্তৰ অঞ্চলবাসী আনহাতে, নলবাৰী জিলাৰ বৰক্ষেত্ৰী কবি সন্মিলনৰ পৰা সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জয়সাগৰতো আজিও সদৌ অসম কবি সন্মিলনৰ ফালৰ পৰা সকলোৱে মাজৰ পৰা অকালতে হেৰাই যোৱা শিল্পী জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উল্লেখ্য যে যোৱা ১৯ ছেপ্টেম্বৰত আমাৰ মাজৰ পৰা হেৰাই যোৱা শিল্পীগৰাকীৰ অকাল মৃত্যুত সদৌ অসম কবি সন্মিলন, বৰক্ষেত্ৰীৰ ফালৰ পৰা হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিত গভীৰ শোক প্ৰকাশ কৰে। অনুষ্ঠানটিত উপস্থিত থাকে বৰক্ষেত্ৰী কবি সন্মিলনৰ সভাপতি দ্বিজেন চন্দ্ৰ ডেকা, উপ সভাপতি বিপিন চন্দ্ৰ দাস, সম্পাদক পিংকু মণি ৰায় চৌধুৰী, সহকাৰী সম্পাদক ধনজিৎ বৈশ্য, প্ৰচাৰ সম্পাদক যোগেশ বৰুৱা, সন্মিলনৰ উপদেষ্টা গুনেন্দ্ৰ ৰায় চৌধুৰী জাগাৰাৰ সৰবৰহী মহিলা তথা সন্মিলনৰ সদস্যা গীতা ডেকা, নিলীমা ৰায় চৌধুৰী, প্ৰমুখ্যে ভালেমান লোকে অংশগ্ৰহণ কৰে। আনহাতে, নলবাৰী জিলাৰ ১ নং নপ্তিপাৰাৰ শ্ৰীশ্ৰী বাৰগোপাল থান প্ৰাংগনত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি সমূহীয়া বন্তিপ্ৰজ্বলন কৰে অঞ্চলটোৰ স্থানীয় লোকসকলে।

# জুবিন গাৰ্গৰ মৃত্যুত বান্দৰদেৱাত মৌন সমদল, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, বান্দৰদেৱা, ২১ ছেপ্টেম্বৰ ঃ** অসমৰ চুকে-কোণে জনপ্ৰিয় কণ্ঠশিল্পী, অসমীয়াৰ হিয়াৰ আমঠু তথা যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত সকলো। সমান্তৰালভাৱে লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা বালিগাঁও ক্লাবৰ উদ্যোগত আৰু পথালিপাহাৰ বি কে চাৰিআলিৰ লক্ষ্মী পূজা সমিতিৰ উদ্যোগত দেওবাৰে সন্ধিয়া সকলোৱে মৰমৰ, হিয়াৰ আমঠু কণ্ঠশিল্পী জুবিন গাৰ্গৰ বিদেশী আত্মাৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে প্ৰত্যেকে হাতে-হাতে মমবাতি লৈ প্ৰায় তিনি কিলোমিটাৰ এক মৌন সমদল যাত্ৰা আৰম্ভ কৰে। উল্লেখ্য যে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ কেইবাজনো সংস্কৃতিবান বিশেষ ব্যক্তিয়ে আহি উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

# বাক্সাৰ নবস্তিৰ বিভিন্ন ঠাইত বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, বাগানপাৰা, ২১ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ ছিংগাপুৰত অকাল মহাপ্ৰয়াণ ঘটাত অসমৰ প্ৰতিজন অসমীয়া আজি শোকত ম্ৰিয়মাণ। নৱ প্ৰজন্মৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ বাতৰি বিয়পি পৰাৰ পিছতে ৰাজ্য খনৰ লগতে বাক্সা জিলাৰ নবস্তি অঞ্চলটো শোকৰ ছাঁ পৰিছে। নবস্তি বণিক সন্থাৰ উদ্যোগত স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে প্ৰিয় শিল্পী গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া স্থানীয় ৰাইজে সমবেত হৈ হাতে হাতে মমবাতি লৈ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি নবস্তি বিষ্ণু আশ্ৰমৰ নামঘৰতো সমূহীয়াকৈ বন্তি প্ৰজ্বলন কৰা হয়। অঞ্চলটোৰ প্ৰতি গৰাকীৰ পদূলি মুখত বন্তি প্ৰজ্বলন কৰাও দেখা যায়। সন্ধিয়া পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয় প্ৰাংগনত বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গক অশ্ৰুসিক্ত নয়নেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে পুৱাৰ ভাগত বিকাশ জাতীয় বিদ্যালয়, নয়াবস্তিৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক অভিভাৱিকা সকলে মিলিত বন্তি প্ৰজ্বলন প্ৰজ্বলনেৰে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে শিল্পী গৰাকীৰ চিৰ শান্তিকামনাৰ্থ ভগৱানৰ ওচৰত এক মিনিট সময়েৰে মৌন প্ৰাৰ্থনা জনোৱা হয়।

# জুবিনৰ মৃত্যুত বাহনা মহাবিদ্যালয়ত শোক সভা

**অসম বাৰ্তা, নিমাতীঘাট, ২১ ছেপ্টেম্বৰ ঃ** যোৱা ২০ চেপ্তেম্বৰ তাৰিখে বাহনা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক গোটৰ সভাপতি-সম্পাদককে প্ৰমুখ্য কৰি শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, সংগীত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিৱেদনৰ অৰ্থে এখন সভা অনুষ্ঠিত হয়। শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ ড° চুম্বিত চলিহাই। প্ৰতিচ্ছবিত উপস্থিত সকলোৱেই পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিৱেদন কৰে। শিক্ষক গোটৰ সম্পাদক ড° মানসজ্যোতি বৰায়ে আঁত ধৰা সভাত অধ্যক্ষ আৰু ছাত্ৰ একতা সভাৰ সভাপতি সিদ্ধাৰ্থ বৰাই গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি বক্তব্য আগবঢ়ায়। জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি এক মিনিট সময় সকলোৱে মৌন প্ৰাৰ্থনা জনায়। সভাৰ শেষত, এক শোক প্ৰস্তাৱ লোৱা হয় আৰু প্ৰস্তাৱটো পাঠ কৰি দিয়ে শিক্ষকগোটৰ সভাপতি কেশৱ চন্দ্ৰ নাথে।

## বটদ্ৰৱাৰ বাটমাৰীত জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বটদ্ৰৱা, ২২ ছেপ্টেম্বৰ ঃ** জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত মৰ্মাহত হৈ পৰিছে অসমবাসী। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত স্তব্ধ হৈ পৰিছে ৰাজ্য। অসমৰ চুকে-কোণে জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদগতিৰ বাবে অনুষ্ঠিত হৈছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে দেওবাৰে বটদ্ৰৱাৰ বাটমাৰী উচ্চতম মাধ্যমিক বিদ্যালয় তিনিআলিত অনুষ্ঠিত হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। এই বৃহত্তৰ নাগৰিক সমিতি আৰু বাটমাৰী আঞ্চলিক ক্ৰীড়া সন্থাইৰ উদ্যোগত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে ক্ৰীড়া সন্থাৰ সভাপতি ইক্ৰাম হুছেইন সৰকাৰে। লগতে সহযোগ কৰে ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা নগাঁও উকীল ভাৰৰ অধিবক্তা তজমল হুছেইনে। জুবিন গাৰ্গৰ প্ৰতিচছবিত মাল্যাৰ্পণ কৰে বলিকটীয়া গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য নেকিবুৰ ৰহমানে (বাবলু)য়ে। অনুষ্ঠানটোত ক্ৰীড়া সন্থাৰ সদস্য বটদ্ৰৱাৰ সাংবাদিক সূৰুজ আলী, ইস্তাক বিৰ হুছেইন, ইনামুল হক (ইৰাক), আসাদ খন্দকাৰ, জহিৰুল ইছলাম, হিফজুৰ ৰহমান, সেক আব্দুলা, আজমল হুছেইন, ইনামুল হক (ৰিবুল), ৰিজাবুল ইছলাম, আলাল উদ্দিন, ছেলিম আক্তাৰ (বাবলু), আৰু বিভিন্ন বিশিষ্ট লোকে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে জাকাৰীয়া আলমৰ লগতে সাংবাদিক সূৰুজ আলীয়ে।

ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, বজাৰ বন্ধ ৰাখি মৌন প্ৰাৰ্থনা

# জুবিন গাৰ্গৰ মৃত্যুত বানিয়াৰাপাৰা গৰেমাৰীত গভীৰ শোঁকৰ ছাঁ

**অসম বাৰ্তা, জনীয়া, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীতৰ জগতৰ উজ্জ্বল নক্ষত্ৰ তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত শোকস্তব্ধ ৰাজ্যবাসী। সমান্তৰালভাৱে আজি বানিয়াৰাপাৰা গৰেমাৰী বজাৰ ব্যৱসায়ী সন্থাৰ আহ্বানত ব্যৱসায়ী সকলে দোকান পোহাৰ বন্ধ ৰাখি গভীৰ শোকঁ প্ৰকাশ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। বানিয়াৰাপাৰা গৰেমাৰী বজাৰ ব্যাৱসায়ী সন্থাৰ সভাপতি হুৰমুজ আলী, অৱসৰপ্ৰাপ্ত শিক্ষক মজিবৰ ৰহমান, বিশিষ্ট ব্যাৱসায়ী ফুলচান আলী, নৱ নিৰ্বাচিত পঞ্চায়ত সদস্য শ্বফিকুল ইছলামৰ, সাংবাদিক খন্দকাৰ লাল মাহমোদ, আৰমান আলীৰ লগতে শতাধিক ব্যাৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত ১ মিনিট মৌন প্ৰাৰ্থনা কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখ্য যে বজাৰৰ কেইবাটাও স্থানত জুবিন অনুৰাগীয়ে ৰাজহুৱাকৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে দোৱা আৰু মৌন প্ৰাৰ্থনা কৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি মায়াবিনী গীত গাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# হোজাই জিলা সাহিত্য সভাৰ ৫২ গছি বন্তি প্ৰজ্বলনেৰে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ডবকা, ২১ ছেপ্টেম্বৰ ঃ** অসম তথা ভাৰতবাসীৰ বাবে দুঃসময়। শিশুৰ পৰা বৃদ্ধলৈকে সকলো শোকত ম্ৰিয়মাণ। এক শোকাবহ পৰিৱেশ চৌদিশে। কাৰণ ডেৰ কুৰি বছৰ গীতেৰে, কথাৰে, কামেৰে সকলোকে মোহাচ্ছন্ন কৰি অহা আমাৰ মৰমৰ শিল্পী জুবিন গাৰ্গ যে আৰু নাই। যি গৰাকী শিল্পীয়ে মাত্ৰ ৫২ বছৰীয়া জীৱন পৰিক্ৰমাতে ৪০টা ভাষাত ৩৮ হাজাৰতকৈ অধিক গীতেৰে, ৪৪খন বোলছবিত সংগীত পৰিচালনাৰে, অভিনয়েৰে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি গ'ল, যাৰ গীতে অসমীয়া সংগীতক এক অনন্য মাত্ৰা প্ৰদান কৰিলে, সেই গৰাকী শিল্পী যে আৰু আমাৰ মাজত নাই। অনাকাংক্ষীতভাৱে সকলোকে কন্দোৱাই, অসমীয়া সংগীত ক্ষেত্ৰখন নিঠৰুৱা কৰি চিৰদিনৰ বাবে তেওঁ গুচি গ'ল আজান দেশলৈ। এই গৰাকী কিম্বদন্তি শিল্পীৰ প্ৰতি অসমবাসী কৃতজ্ঞ। অসমবাসীৰ লগতে হোজাইৰ শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু হোজাই জিলা সাহিত্য সভাৰ যুটীয়া উদ্যোগত, এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত শিল্পীগৰাকীলৈ জনোৱা হ'ল শ্ৰদ্ধাঞ্জলি। হোজাই জিলাৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে বন্তিপ্ৰজ্বলন কৰি শুভাৰম্ভ কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে ৫২গছি বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অচ্যুত ঠাকুৰীয়াই আঁত ধৰা অনুষ্ঠানটিত হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্ম কান্ত বৰা, বীৰেন্দ্ৰ কুমাৰ দাস, সাৰঙ্গধৰ ৰাজাকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে নিজা নিজা অনুভৱ ব্যক্ত কৰি প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক গজেন হাজৰিকাদেৱে শিল্পীগৰাকীক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। শেষত এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সামৰণি পৰে।

## তিনিচুকীয়াত ড্ৰাই ডে'

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ সাংস্কৃতিক জগতৰ মহানায়ক জুবিন গাৰ্গৰ কাইলৈ অনুষ্ঠিত হবলগীয়া অন্ত্যেষ্টিক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা কাইলৈকে ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাতো "ড্ৰাই ডে" অৰ্থাৎ সুৰা নিষিদ্ধ দিন ঘোষণা কৰা হৈছে। এই সময়চোৱাত জিলাখনৰ সকলো সুৰাৰ দোকান, বাৰ আদি বন্ধ ৰাখিব লাগিব বুলি জিলা আয়ুক্তৰ স্বাক্ষৰিত এটি নিৰ্দেশত কোৱা হৈছে।

## সম্পাদকীয়

# শূন্যতা

অসমৰ সংগীতপ্ৰেমীৰ হৃদয়ত আজি এটা ডাঙৰ শূন্যতা। সংগীতৰ ৰজা জুবিন গাৰ্গ আৰু নাই। মাতৃভূমিৰ প্ৰতি অফুৰন্ত মৰম, মানৱতা আৰু সংগীতৰ প্ৰতি নিঃস্বাৰ্থ সেৱাই যিজন শিল্পীক আমাৰ হৃদয়ৰ সৰ্বাধিক প্ৰিয়স্থানত অধিষ্ঠিত কৰিছিল, তেওঁৰ এই আকস্মিক বিদায়ে অসমীয়া সমাজক এক গভীৰ আঘাত দিলে। তেওঁৰ শোকযাত্ৰাই ইতিহাস সৃষ্টি কৰিলে, বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ শোকযাত্ৰা হিচাপে পৰিগণিত হ'ল। কিন্তু এই গভীৰ শোকৰ সময়তো একাংশৰ মূৰ্খামি আৰু কুৎসিত ৰাজনীতি কৰাৰ পৰা বিৰত থকা নাই, সেয়া বেদনাদায়ক। জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পী নাছিল, তেওঁ আছিল এক সংহতিৰ প্ৰতীক। অসমীয়া, হিন্দী, বঙালী, বড়ো আদি কুৰিৰো অধিক ভাষাৰ গানৰ জৰিয়তে তেওঁ সংগীতৰ সৌধ সাজিছিল। তেওঁৰ কণ্ঠ আৰু সৃষ্টিয়ে জাতি-ধৰ্ম-সম্প্ৰদায়ৰ সকলো সীমা অতিক্ৰম কৰি এক মানৱীয় বান্ধনি গঢ়িছিল। তেওঁ আছিল 'জনতাৰ শিল্পী', যি সদায় সাধাৰণ মানুহৰ সৈতে থিয় দিছিল। এনে এজন শিল্পীৰ শোকত সমগ্ৰ ৰাজ্য আজি বিহ্বল। লক্ষ লক্ষ লোকৰ এই স্বতঃস্ফূৰ্ত শ্ৰদ্ধাঞ্জলিৰ মাজেদি প্ৰমাণিত হ'ল যে সঁচা শিল্পীৰ কোনো সীমা নাথাকে, তেওঁ সকলোৰে হৃদয়ৰ মালিক হয়। কিন্তু এই গভীৰ শোকৰ ছাঁয়াত কিছুমান সংকীৰ্ণ মনভাবৰ গোটে জুবিন গাৰ্গৰ নামক সাম্প্ৰদায়িকতাৰ ষড়যন্ত্ৰত জড়িত কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। সামাজিক মাধ্যমত একাংশই তেওঁৰ এটা সাক্ষাত্‌কাৰৰ অংশ বিশেষভাৱে উপস্থাপন কৰি এক বিতৰ্কৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। এই অপচেষ্টাই শিল্পীজনৰ মুক্ত মনোবৃত্তি, সৰলতা আৰু সৰ্বজনীনতাবাদী দৃষ্টিভংগীক ইচ্ছাকৃতভাৱে বিকৃত কৰিবলৈ যত্ন কৰিছে। জুবিন গাৰ্গে সদায়েই সকলো ভাষা-সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল। 'আমি আধা বঙালী' বুলি কৈ তেওঁ যি মিত্ৰতা আৰু সৌভ্ৰাতৃত্বৰ কথাকেই কৈছিল, তাকেই একাংশে বিকৃত ৰূপ দি সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টিৰ সুযোগ হিচাপে লৈছে। এই সময়টো হৈছে শোক আৰু সন্মান প্ৰদৰ্শনৰ, সাম্প্ৰদায়িক বিভাজনৰ নহয়। জুবিন গাৰ্গৰ এই অপ্ৰত্যাশিত বিদায়ে আমাক এটা ডাঙৰ দায়িত্বও দি গ'ল। তেওঁৰ সৃষ্টি, তেওঁৰ আদৰ্শ আৰু তেওঁৰ মানৱীয় মূল্যবোধক আমি জীয়াই ৰাখিব লাগিব। তেওঁৰ দৰে শিল্পীৰ মৃত্যু হ'ব নোৱাৰে, কিয়নো তেওঁ জীয়াই থাকিব তেওঁৰ গানত, তেওঁৰ স্মৃতিত আৰু আমাৰ হৃদয়ত। এতিয়াৰ পৰা আমাৰ প্ৰতিটো পদক্ষেপত জুবিন গাৰ্গৰ শিক্ষাই পথপ্ৰদৰ্শন কৰক। বিভেদ নহয়, মিলন; বিদ্বেষ নহয়, মৰমেৰে আমি আগবাঢ়িম। তেওঁৰ আত্মাই যেন শান্তি পায়। ৰাইজৰ শোক, সন্মান আৰু ভালপোৱাই হ'ব জুবিন গাৰ্গৰ সঁচা অমৰতা।




# সাগৰৰ বক্ষত চিৰনিদ্ৰাত অসমীয়াৰ হাৰ্টথ্ৰ'ব জুবিন

প্ৰবোধ চন্দ্ৰ মিশ্ৰ

আকাশে গাতে ল'বৰে মন
সাগৰ তলিত শুবৰে মন,

মনৰ চিলা উৰুৱাই..., নিজৰ আৱেগ ভৰা গীতেৰে গীতাৰৰ তাঁৰত সুৰ বিন্যাসৰ তীব্ৰ জোকাৰণি তুলি হঠাতে আঁতৰি গ'ল কিংবদন্তি জুবিন গাৰ্গ। যোৱা ১৯ ছেপ্তেম্বৰ ২০২৫ তাৰিখে বিয়লিবেলা সকলোকে কন্দুৱাই ছিঙ্গাপুৰৰ লেজাৰ্ছ দ্বীপৰ সাগৰৰ বক্ষত গভীৰ নিদ্ৰাত শুই পৰিল অসমীয়াৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ। কৰ্মস্থলীৰ পৰা উভতি আহি খন্তেক বিছনাত জিৰণি লোৱাৰ পাছত শ্ৰীমতীয়ে চকুলো মচি মচি কৈছিল 'জুবিন সাগৰত ডুবি ঢুকাল'। কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিলোঁ। কি কৰোঁ কি নকৰোঁ লাগিছিল। কেৱল চেলফোনটো লৈ বিভিন্ন উৎসৰ বাতৰিবোৰ চাইছিলোঁ। কিন্তু লগে লগেই মনত আহিল এই মৃত্যু কেতিয়াও সহজ নহয় আৰু ইয়াক সহজে হজম কৰিব নোৱাৰি। লগেই লগেই সামাজিক মাধ্যমত মই লিখিছিলোঁ -লাভজনক ব্যৱসায় কৰিবলৈ গৈ এচামে জুবিন গাৰ্গক হত্যা কৰিলে। ধিক্কাৰ দিলোঁ। ময়েই হয়তো প্ৰথম ব্যক্তি যিজনে সামাজিক মাধ্যমত এয়া হত্যা বুলি লিখিছিলোঁ। ইয়াৰ পাছত সামাজিক মাধ্যমত এয়া পৰিকল্পিত হত্যা বুলি ব্যাপক চৰ্চা হৈছে আৰু এতিয়াও হৈ আছে। এয়া হোৱাটোও স্বাভাৱিক। এই সম্পৰ্কে পিছে পৰেও বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিম। কিন্তু তাৰ আগতে জুবিন আমাৰ বাবে কিয় হাৰ্টথ্ৰ'ব সেই বিষয়ে অকণমান লিখাৰ প্ৰয়াস কৰিছোঁ।

প্ৰায় তিনিটা দশকজুৰি প্ৰতিটো প্ৰজন্মৰ আৱেগ, অনুভূতি, বেদনা, প্ৰেম ইত্যাদিক শব্দৰ যাদুকৰী প্ৰয়োগ আৰু সুৰৰ মূৰ্চ্ছনাৰে উপস্থাপন কৰি হাৰ্টথ্ৰ'ব হিচাপে পৰিচিত জুবিন গাৰ্গ আছিল এগৰাকী ব্যতিক্ৰমী শিল্পী। বেছিভাগ শিল্পী বা সাহিত্যিকৰে সাধাৰণতে এবিধ নিচা থকা দেখা যায়। কোনোবাই মদ্যপান কৰে, কোনোবাই ধূমপান কৰে ইত্যাদি ইত্যাদি। আচলতে আমি এজন ব্যক্তিক কৰ্মৰ জৰিয়তে মূল্যায়ন কৰা উচিত। তেওঁৰ ব্যক্তিগত জীৱনটোক তেওঁৰ সৃজনশীল প্ৰতিভাৰ লগত সাঙুৰ খুৱাই লোৱা উচিত নহয়। সেয়া গায়কে হওক, নাট্যশিল্পীয়ে হওক বা সাহিত্যিকে হওক। কোনো এজন ব্যক্তি নিখুঁত হোৱাৰ উদাহৰণ নাই। দোষ আৰু গুণৰ সংমিশ্ৰণেৰেই মানৱ। নহ'লে হয়তো ভূপেন দা বা জুবিন গাৰ্গক আমি ইমান ওচৰৰ পৰা চোৱাৰ সুযোগ আৰু সুবিধা নাপালো হয়। তেওঁলোকক দেৱতাৰ শাৰীত থিয় কৰাই পূজা কৰিলো হয়। অৱশ্যে মানৱৰ শাৰীত থাকিলেও এতিয়াও তেওঁলোক পূজাৰ যোগ্য।

ভূপেন দাৰ যেতিয়া গীত গোৱাৰ পঁচিশ বছৰ গৰকিছিল অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ হৈছিল তেতিয়া তেওঁৰ অনুষ্ঠান মই শিলপুখুৰীৰ দীপক সংঘত প্ৰত্যক্ষ কৰিছিলোঁ। তেওঁ মঞ্চতে মদ্যপান কৰি কৰি(এঢোক এঢোককৈ)গীত পৰিৱেশন কৰিছিল। দৃষ্টিকটু হ'লেও আন সকলোৰে লগত ময়ো মানি লৈছিলো যে যদি তেওঁ মদ্যপানৰ দৰে কামটো নকৰে তেন্তে তেওঁ তেওঁৰ কণ্ঠেৰে সুৰীয়া গীতৰ কলিবোৰ উলিয়াই আনিবলৈ সক্ষম নহ'ব। কিন্তু ভূপেনদাই মদ্যপান কৰিলেও বাতুলামী কৰা নাছিল।

ঠিক একেদৰেই জুবিনেও গীত গোৱাৰ আগতে মদ্যপান কৰাটোও এক নিচা বুলি ক'ব পৰা যায়। কিন্তু মদ্যপান কৰি তেওঁ মাজে মাজে বাতুলামী কৰা দেখা গৈছিল যদিও সেয়া তেওঁৰ স্বভাৱজাত বাতুলামী বুলি মানুহে সাময়িক ভাৱে বেয়া পালেও তেওঁৰ কণ্ঠত নিগৰি অহা সুৰীয়া গীতবোৰৰ বাবে তেওঁৰ সেই ক্ষন্তেকীয়া দোষবোৰ মানুহে মনত পুহি ৰখা নাছিল। কিন্তু জুবিনৰ কিছুমান স্বভাৱৰ বাবে মই মুক্ত মনেৰে আঙুলি টোৱাই ভাল পাম তেওঁক আগুৰি থকা এচাম স্বাৰ্থপৰ যুৱক যুৱতীলৈ। সেই সকল দেখাত জুবিনৰ আপোন হ'লেও সেই সকলেই জুবিনৰ বদ অভ্যাসৰ বাবে দায়ী।

এতিয়া আহো জুবিনৰ সৃষ্টিৰ কিছু কথালৈ। ১৯৭২ চনত মেঘালয়ৰ তুৰাত জন্ম গ্ৰহণ কৰা জুবিনে পৰিয়ালৰ সৈতে সুদীৰ্ঘ সময় যোৰহাটতে কটাই ছিল পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটীলৈ আহে আৰু সংগীত শিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। এই ক্ষেত্ৰত জুবিনৰ নামটো কিয় জুবিন গাৰ্গ ৰখা হ'ল সেই সম্পৰ্কেও কথাটো উলিয়াব বিচাৰিছোঁ। ভাৰতীয় ধ্ৰুপদী সংগীতৰ স্ৰষ্টা জুবিন মেহতাৰ নামানুসাৰে তুৰাত জন্ম পোৱা শিশুটিৰ নাম জুবিন ৰখা হৈছিল। জুবিনৰ পিতৃ কপিল ঠাকুৰে বহুতো সুন্দৰ গীত ৰাইজক উপহাৰ দিছে। তেওঁৰ মাতৃও আছিল সংগীত শিল্পী। দুয়ো গৰাকী শিল্পী হোৱাৰ সোৱাদতে হয়তো জুবিন মেহতাৰ নামটোৰে জুবিনৰ বাবে শ্ৰেষ্ঠ হ'ব বুলি পিতৃ মাতৃয়ে ভাবি লৈছিল।

মাতৃ স্বৰ্গীয় ইলি বৰঠাকুৰ আছিল জুবিন গাৰ্গৰ প্ৰথম সংগীতৰ গুৰু আৰু তেওঁৰ তত্বাৱধানতে জুবিনে তিনি বছৰ বয়সৰ পৰাই গীত গাবলৈ আৰম্ভ কৰে। জুবিন কেৱল কণ্ঠ শিল্পীয়ে নাছিল। তেওঁ বিভিন্ন বাদ্যযন্ত্ৰ সংগত কৰিবও জানিছিল। এজন গায়কে বাৰ বিধ বাদ্যযন্ত্ৰ পৰিৱেশন কৰাটো সহজ কথা নহয়। কিন্তু জুবিনৰ বাবে সেয়া আছিল এক সাধাৰণ কথা। মাথোঁ এঘাৰ বছৰ বয়সত তেওঁ তবলাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত গীতাৰ, ড্ৰাম, হাৰমনিয়াম আদি সংগত কৰি নিজৰ পটুতা সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল।

গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত বিজ্ঞানৰ স্নাতক পৰ্যায়ত তেওঁ অধ্যয়ন কৰিছিল যদিও সংগীতেৰে নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰবল হেঁপাহৰ বাবে তেওঁ তেওঁৰ পঢ়া আধাতে সামৰিছিল। ১৯৯২ চনত তেওঁ 'অনামিকা' নামৰ এলবামটোৰ মাধ্যেমেৰে সংগীতৰ নিৰৱচ্ছিন্ন যাত্ৰা আৰম্ভ কৰে। একেই বছৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পশ্চিমীয়া সংগীত পৰিৱেশন কৰি জুবিনে লাভ কৰিছিল স্বৰ্ণ পদক। ইয়াৰ পাছত ১৯৯৩ চনৰ বি বৰুৱা মহাবিদ্যালয়ৰ স্বৰ্ণ জয়ন্তীত তেতিয়াৰ বিখ্যাত ভায়া মামা কৌতুক গোষ্ঠী আৰু তেওঁলোকৰ সহযোগী প্ৰাক্তন শিক্ষাৰ্থী সকলে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত জুবিনে প্ৰথম বাৰৰ বাবে ৰাজহুৱা অনুষ্ঠানত অংশ গ্ৰহণ কৰি ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল আৰু তেতিয়া তেওঁৰ মাননি আছিল মাত্ৰ আঠ হাজাৰ টকা। পঞ্চাশৰ দশকৰ পৰা আশীৰ দশকলৈ প্ৰতিজন অসমীয়াৰ মন মগজুক গীত আৰু সুৰেৰে মোহাচ্ছন্ন কৰি ৰখা ড০ ভূপেনদাৰ পাছত আৰু যে কোনোবা এজন ভূপেনদাৰ দৰে হৃদয় স্পন্দিত কৰা শিল্পী ওলাব পাৰে সেই কথা অসমবাসীৰ কল্পনাৰো অগোচৰ আছিল। দৰাচলতে নব্বৈৰ দশকত অসমৰ সংগীত জগতত এক শূন্যতাই বিৰাজ কৰিছিল। কিন্তু সেই শূন্যতাৰ অৱসান ঘটাই হঠাতে যেন জুবিন গাৰ্গৰ 'অনামিকা'ই এক নতুন মাত্ৰা প্ৰদান কৰে। 'অনামিকা'ৰ বিৰাট সাফল্যৰ পাছত ১৯৯৪ চনত অসমবাসীয়ে জুবিনৰ পৰা লাভ কৰে এলবাম 'মায়া'। 'মায়া' ৰ জনপ্ৰিয়তাই জুবিনৰ শিল্পী সত্বাৰ ওপৰত অসমবাসীৰ যিখিনি শঙ্কা আছিল সেই সকলোবোৰ শঙ্কা নাইকিয়া কৰি দিছিল। মায়াই তেওঁক আকৌ অতি জনপ্ৰিয় কৰি পেলালে। সেই সোৱাদতে তেওঁ বহুতো জনপ্ৰিয় গীত ৰাইজলৈ উপহাৰ হিচাপে দিবলৈ সক্ষম হয়। তেওঁৰ বিভিন্ন ভাষাত গোৱা তেওঁৰ গীতৰ সংখ্যা চল্লিশ হাজাৰতকৈও অধিক।

১৯৯৫ চনত তেওঁ নেপথ্য শিল্পীৰূপে প্ৰতিষ্ঠা লাভৰ উদ্দেশ্য মুম্বাইলৈ যায়। ২০০৬ চনত অনুৰাগ বসুৰ পৰিচালনাত মুক্তি লাভ কৰা 'গেং ষ্টাৰ' ছবিত কণ্ঠদান কৰা 'য়া আলী'ৰ জৰিয়তে ৰাতিটোৰ ভিতৰতে জুবিন ভাৰতবাসীৰো জনপ্ৰিয় হৈ পৰে। ইয়াৰ পৰৱৰ্তী সময়ত জুবিন গাৰ্গে অসমৰ লগতে ভাৰতৰ সংগীত জগতত এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হয়।

সংগীত শিল্পীৰ উপৰিও তেওঁ আছিল এজন সফল চিত্ৰ পৰিচালক আৰু অভিনেতা। ২০০০ চনত 'তুমি মোৰ মাথোঁ মোৰ' চলচ্চিত্ৰখনৰ কাহিনী নিজে লিখি, পৰিচালনা কৰি অভিনয়ৰ জৰিয়তে তেওঁ চলচ্চিত্ৰ জগতত প্ৰথম প্ৰৱেশ কৰে। ইয়াৰ পাছত ২০০৫ চনত ৰাষ্ট্ৰীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা 'দীনবন্ধু'ত তেওঁ সংগীত পৰিচালনা আৰু অভিনয়ৰ জৰিয়তে ৰাইজৰ মন মুহিবলৈ সমৰ্থ হৈছিল। ইয়াৰ উপৰিও ২০১৫ চনত সঞ্জয় ঝাৰ দ্বাৰা পৰিচালিত ষ্ট্ৰীংছ আৰু শেহতীয়াকৈ ভাইমন দা ছবিখনৰ সংগীত পৰিচালনাৰে বহুকেইখন চলচ্চিত্ৰত তেওঁ সংগীত পৰিচালনাৰ লগতে অভিনয়ো কৰিছিল। শেহতীয়াকৈ 'ৰৈ ৰৈ বিনালে' নিজে লিখা কাহিনীৰ ছবিখন তেওঁ চাবলৈ নাপালে।

"মোৰ প্ৰতিবাদী সত্বাৰ পৰিধি
তহঁতে বুজি নাপাবি
মই নদীৰ পৰা সাগৰলৈ যাব পাৰোঁ
সাগৰৰ পৰা নদীলৈ ঘূৰিও আহিব পাৰোঁ
মাথোঁ মোৰ ৰং সলনি হ'ব
পানীৰ সোৱাদ সলনি হ'ব
পাৰে পাৰে এৰি থৈ যাম অকল বালি
বালি আৰু বালি/বালি বৰ হিংস্ৰ
ঠাণ্ডাত শুকাই নিব তোৰ তেজ
গৰমত উখহাই দিব তোৰ দুভৰি
খোজ কাঢ়িব পাৰ যদি আহিবি
মই চুমা খাম দুভৰিত।"

এয়াই হৈছে জুবিনৰ আৱেগ, জুবিনৰ প্ৰতিবাদ আৰু প্ৰতিভা। বুঢ়া লুইতৰ পৰা সাগৰলৈ জুবিন গ'ল ঠিকেই, কিন্তু উভতি আহিবলৈ দিয়া নহ'ল। প্ৰতিবাদী কণ্ঠ বালিৰ সলনি পানীৰে ৰুদ্ধ কৰি দিয়া হ'ল।

বহুমুখী প্ৰতিভাৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে সংগীতক গণমাধ্যমলৈ লৈ গৈছিল। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া মানুহৰ মন মগজুত আধুনিক মনস্তাত্বিকতাৰ বীজ ৰোপণ কৰিছিল। জ্যোতি প্ৰসাদে সেই বীজক শিল্প আৰু সংগীতৰ জৰিয়তে ডাঙৰ দীঘল কৰি তাত বিভিন্ন ৰঙৰ ফুল ফুলালে। বিষ্ণু ৰাভাই জাতীয় সত্বাক শিলৰ লেখিয়াকৈ দৃঢ় আৰু কঠিন কৰিলে। ইয়াৰ পিছত ভাৰতৰত্নৰে বিভূষিত ড° ভূপেন হাজৰিকা দেৱে সংগীত আৰু মানৱতাক একেলগে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ পাছত শেহতীয়াকৈ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে অসম আৰু অসমীয়াৰ আৱেগ, আৰু অনুভূতিক সজাই পৰাই গীতাৰৰ তাঁৰত ঝংকাৰ তুলি এক নতুন দিগন্তৰ সূচনা কৰি আকাশক গাত লৈয়েই সাগৰত শুই পৰি ইতিহাস ৰচনা কৰিলে।

অনিয়ন্ত্ৰিত জীৱন আৰু কিছুমান কৰ্মকাণ্ডৰ বাবে জুবিন গাৰ্গ প্ৰায়েই বিতৰ্কত সোমাই পৰিছিল। নিজে ব্ৰাহ্মণ সন্তান হৈও চলচিত্ৰত লগুণ ছিঙি পেলোৱা দৃশ্যৰ দ্বাৰা তেওঁ ব্ৰাহ্মণক যে সকলোতে নিজ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি অহা হৈছে তাৰেই যেন প্ৰতিবাদ সাব্যস্ত কৰিছে। সত্ৰাধিকাৰৰ সন্মুখতে সত্ৰাধিকাৰক প্ৰভু ঈশ্বৰ বুলি নামানো বুলি কোৱা কথাবোৰত তেওঁ যেন এখন শ্ৰেণীবিহিন সমাজৰ কামনা কৰিছে।

হাঁহিলে তুমি মুকুতা মণি সৰে/ দুচকু ভৰিলেও মন নভৰে/ বেদনাৰ জ্বলা জুই কেতিয়া/ মৰমৰ বৰফেৰে অনামিকা/ কলিজা ৰঙা কৰি উজলি আছা।

মানুহৰ সহজাত প্ৰবৃত্তিৰ মাজত প্ৰেম অন্যতম। এই প্ৰবৃত্তি আদিৰে পৰাই আছে আৰু অনাদি কাললৈ চলি থাকিব। মাথোঁ ইয়াৰ চৰিত্ৰৰ সলনি হয়, যেনেদৰে আজি হৈছে। কুৰি শতিকাৰ শেষৰ ফালে জুবিনৰ অনুৰাধা আৰু মায়াৰ গীত সমূহে যেন প্ৰেমক এক নতুনত্ব প্ৰদান কৰিছে। হাঁহিত মুকুতা সৰে বুলি শব্দৰ দ্বাৰা তেওঁ প্ৰেমৰ যি গুণ গৰিমা কৰিছে আৰু আনহাতেদি মৰমৰ বৰফেৰে বেদনাৰ জ্বলা জুইকুৰা নুমাবলৈ চেষ্টা কৰা জুবিনে প্ৰেমক 'ডাণ্টে বিয়েত্ৰিছ'ৰ প্ৰেমৰ সমপৰ্য্যায়লৈ লৈ যোৱা যেন এই লেখকে অনুভৱ কৰে।

জুবিনৰ অনুৰাগীৰ সংখ্যা থাওকতে কৈ দিব নোৱাৰি। জুবিন গাৰ্গে যেতিয়া জনপ্ৰিয়তাৰ উচ্চ শিখৰত আৰোহণ কৰে সেই সময়ত তেওঁলৈ বহুতো চিঠি আহিছিল আৰু সেই সকলোবোৰ চিঠি তেওঁ আন্তৰিকতাৰে পঢ়িছিল। হয়তো উত্তৰ দিয়া নাছিল। কিন্তু এখন বিশেষ চিঠিয়ে তেওঁৰ অন্তৰত আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তেতিয়াই তেওঁ লিখিছিল -

বৰষা যেতিয়া নামে বুকুলে
এনে লাগে যেন তুমিয়ে....।

১৯৯৫ চনৰ কথা। জুবিন গাৰ্গৰ গীত ভাল পাই তেওঁলৈ লিখা চিঠি সমূহৰ ভিতৰত এগৰাকী অসমীয়া যুৱতীয়ে জুবিন গাৰ্গলৈ চিঠি লিখিলে। হাজাৰজন অনুৰাগীৰ মাজত জুবিন গাৰ্গে সেই অসমীয়া যুৱতী গৰাকীলৈ চিঠিৰ উত্তৰ লিখিলে। এনেদৰেই যুৱতী গৰাকীৰ সৈতে জুবিনৰ চিঠিৰ আদান প্ৰদান চলি থাকিল আৰু বন্ধুত্ব গঢ়ি উঠিল। তাৰ পাছত....

মায়া মায়া মাথোঁ মায়া / মায়া ভৰা দুচকুলৈ / হিয়া জুৰি আছাহি ৰৈ....

'মায়া' কেছেটৰ 'মায়া মায়া মাথোঁ মায়া..' গীতটোৱে গৰিমাৰ হৃদয়ত খলকনি তুলিলে আৰু এনেকৈয়ে আৰম্ভ হৈছিল জুবিন গাৰ্গ আৰু গৰিমাৰ যুগ্ম জীৱন আৰু এতিয়া......।

মই এজন সাধাৰণ ব্যক্তি। জুবিন গাৰ্গকলৈ এই বিশেষ নিৰন্ধটো লেখাৰ বাবে মানসিক ভাৱে প্ৰস্তুত নথকা স্বত্বেও প্ৰয়োজনীয়তা অনুভৱ কৰিছোঁ। জুবিনৰ বয়স ৫২ বছৰ। গতিকে ভাৰতীয় এজনৰ ৫২ বছৰ বয়স কম নহয়। জুবিন সাময়িক ভাৱে অজ্ঞান হৈ পৰা কথাটো যোৱা কেই বছৰমান ধৰি অসমবাসীয়ে লক্ষ্য কৰি আছে। বহু কেইবাৰ তেওঁক হাস্পাতালত ভৰ্ত্তি কৰোৱা হৈছিল। অৰ্থাৎ সহজ ভাষাত ক'বলৈ গলে জুবিন গাৰ্গ হয়তো হৃদযন্ত্ৰৰ ৰোগত ভুগি আছিল। তেনে স্থলত সেই বেপাৰী সকলে জুবিন গাৰ্গক ছিঙ্গাপুৰলৈ নিয়াৰ আগতে ডাক্তৰৰ পৰামৰ্শ লৈছিল নে নাই। যদি লৈছিল সেয়া ৰাজহুৱা কৰিব লাগে আৰু যদি লোৱা নাছিল তেন্তে কিয় লোৱা নাছিল। তেওঁলোকে আচলতে জুবিনৰ জৰিয়তে টকা ঘটিবলৈহে জুবিনক ব্যৱহাৰ কৰিছিল। মই জনাত জুবিনৰ টকাৰ অভাৱ হোৱা নাই আৰু টকাৰ লোভত পৰি জুবিন নাযায়। সামাজিক মাধ্যমৰ খবৰ আৰু স্বনামধন্য লেখিকা ৰীতা চৌধুৰী বাইদেৱে ছিঙ্গাপুৰলৈ যোৱাৰ আগমুহূৰ্তত জুবিন গাৰ্গ অসুস্থ আছিল বুলি কাকতত লিখিছে। তেওঁৰ শৰীৰত জ্বৰ থকা কথাটো তেওঁ অনুভৱ কৰিছিল। তেন্তে জুবিন গাৰ্গক ছিঙ্গাপুৰলৈ কিয় লৈ যোৱা হ'ল। নে তেওঁক উদ্দেশ্য প্ৰণোদিত ভাৱে কোনোবাই হত্যা কৰিবলৈ ছিঙ্গাপুৰলৈ লৈ গৈছিল যাতে তেওঁৰ মৃত্যু এক স্বাভাৱিক মৃত্যু বুলি উপস্থাপন কৰিব পৰা যায়। অসমৰ তিনি লাখ পঞ্চাশ হাজাৰ মানুহে ইয়াৰ উত্তৰ বিচাৰিছে। সংশ্লিষ্ট পক্ষক এই নিবন্ধটোৰ জৰিয়তে নিজৰ দোষ স্বীকাৰ কৰিবলৈ দাবী জনালোঁ লগতে মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।



# সাগৰৰ বাটেৰে সৰগলৈ জুবিন গাৰ্গ.

ডিম্বেশ্বৰ শৰণীয়া

কিবা এটা লিখিম বুলি ভাবিও মনটো স্থিৰ কৰিব পৰা নাই। ক'তনো পাৰিম দেখি আছো ছবি সমূহ চকু মুদিলেও চকু মেলিলেও। নভবাকৈয়ে এক অনাকাংক্ষিত অকল্পনীয় ঘটনাৰ সাক্ষী হ'ব লগা হ'ল আমি সমগ্ৰ দেশবাসী। নাই নাই কেৱল দেশবাসী বুলি কলে ভুল কোৱা হ'ব, সীমাৰ পৰিধিৰ সিটো পাৰেও যেন সেই একেই পৰিৱেশ।

আজি এই মুহূৰ্তত আপোনাক সুধিবলৈ বৰ মন গৈছে অ' জুবিন 'দা'- সাগৰৰ পৰা সৰগলৈ বাট বৰ পোন নেকি অ'। আপুনি যে সাগৰ তলিৰ মাণিক বুটলি অনাৰ চলেৰে একেবাৰে সৰগলৈয়ে বাট পোনাই দিলে। আপুনি অৱশ্যে বৰ ভালকৈয়ে জানে যে তৰাৰ দেশত জ্যোতি-বিষ্ণু ককাই আৰু ভূপেন মামা আদিকে ধৰি তাত এখন বৰ ডাঙৰ সমাজ আছে। গানৰ, ছবিৰ, কবিতাৰ, নাটকৰ, ৰং তুলিকাৰে বুলনি দিব পৰাকৈ কোননো নাই তাত। সেই বুলিয়েইনো আপুনি দেশ আৰু স্বজাতিক এনেকৈ নিঠৰুৱা কৰি হঠাতে ইমান খৰধৰকৈ সৰগলৈ বাট পোনাব লাগেনে?

ইমান ৰং ভাল পোৱা মানুহজন আপুনি যে এনেকৈ কফিনৰ ভিতৰত বগা সাজেৰে নিতাল মাৰি শুই থকা দৃশ্যটো দেখি আজি কোনেও মানি ল'ব পৰা নাই আপুনি যে আৰু কেতিয়াও সাৰ নাপাব। ইটোৰে সিটোৰ চকুলৈ চাব পৰা নাই সকলোৰে চকুত অশ্ৰুধাৰা, স্তব্ধজন জীৱন শোকত ম্ৰিয়মাণ প্ৰকৃতি। আপুনি কেৱল গানেই গাইছিল নে কেৱল কবিতাই ৰচিছিল। নাই আপুনি সকলো আছিল গায়ক, গীতিকাৰ, সুৰকাৰ, প্ৰযোজক, অভিনেতা আৰু আৰ্তজনৰ দুৰ্গতজনৰ ত্ৰাণকৰ্তা। আপুনি নিজেই আছিল এখন সমাজ এটা অনুষ্ঠান।

ইমান ৰং ভাল পোৱা মানুহজন আপুনি যে এনেকৈ কফিনৰ ভিতৰত বগা সাজেৰে নিতাল মাৰি শুই থকা দৃশ্যটো দেখি আজি কোনেও মানি ল'ব পৰা নাই আপুনি যে আৰু কেতিয়াও সাৰ নাপাব। ইটোৰে সিটোৰ চকুলৈ চাব পৰা নাই সকলোৰে চকুত অশ্ৰুধাৰা, স্তব্ধজন জীৱন শোকত ম্ৰিয়মাণ প্ৰকৃতি।


আপুনি কেৱল গানেই গাইছিল নে কেৱল কবিতাই ৰচিছিল। নাই আপুনি সকলো আছিল গায়ক, গীতিকাৰ, সুৰকাৰ, প্ৰযোজক, অভিনেতা আৰু আৰ্তজনৰ দুৰ্গতজনৰ ত্ৰাণকৰ্তা। আপুনি নিজেই আছিল এখন সমাজ এটা অনুষ্ঠান। মৰিবলৈ ধৰা অসমীয়া ছবিখনক পুনৰ জীয়াই তোলাৰ পৰিকল্পনা কৰি আগুৱাই নিয়াৰ যি প্ৰচেষ্টা সেইবোৰ জানো আপোনাৰ অনুপস্থিতি অবিহনে সম্ভৱ হ'ব বা আন কোনোৱে কৰিব পাৰিব! নাই মিছা কথা সেয়া আৰু বহু যুগলৈ সম্ভৱ হ'বপাৰে বুলি মোৰ মনে নধৰে।

এতিয়া আৰু কাকো খাতিৰ নকৰাকৈ গানৰ মঞ্চৰ পৰাই হওক বা আন ঠাইৰ পৰাই হওক অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে চিঞৰি চিঞৰি ৰজাঘৰ প্ৰজাঘৰ সকলোকে কোনে সোঁৱৰাই দিব?

ইমানবোৰ কৰিবগীয়া আধৰুৱা কাম আপুনিনো কাৰ সাহসত এৰি থৈ গ'ল? আপোনাৰ গান আৰু কৰ্মৰাজি দেশবাসীৰ হৃদয়ত যেনেকৈ অজৰ অমৰ হৈ থাকিব ঠিক তেনেকৈ থাকিব সীমাৰ পৰিধিৰ সিটো পাৰেও। আপুনি হেৰাই যাব বিচাৰিলেই হেৰাই যাব নোৱাৰে। আপুনি গঢ়ি তোলা জাতিহীন, ধৰ্মহীন, বৰ্ণহীন সমন্বয়ৰ সাকোখন ইমান ঠুনুকা হ'ব নোৱাৰে জুবিন 'দা'।

সৰগৰ পৰা আপুনি দেখিছেই নহয় আপোনাৰ অন্তিম শয়নত পাৰ নেদেখাজন সমুদ্ৰৰ অসীম মিছিল। আচলতে আপুনি অবিনাশী, সমন্বয়ৰ এখন অক্ষয় সেতু। তথাপি আপোনাৰ এই আকস্মিক বিয়োগৰ আৰত কিছু ৰহস্যৰ গোন্ধৰ বুবু বা বা চলিছে যদি সঁচাকৈ সেয়াই হয় তেনে নিকৃষ্ট কাণ্ডৰ স'তে জড়িত কোনো অপৰাধীয়ে সাৰি যোৱাটো আমি সহ্য কৰিব নোৱাৰোঁ কাৰণ আপুনি কেৱলমাত্ৰ এগৰাকী ব্যক্তি নহয় আপুনি আছিল দেশৰ সম্পদ। অসম চৰকাৰলৈ আমাৰ আহ্বান যাতে কোনো কাৰণতে তদন্তৰ সুৰুঙা নাথাকে।

জয় জুবিন 'দা' আপোনাক বিদায় বুলি নকও ক'ব নোৱাৰোঁ।



# অসমৰ অপূৰণীয় ক্ষতি

দুলুমণি গগৈ

মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি

হঠাৎ অহা এটা খবৰ। কেতিয়াও কল্পনা নকৰা এটা দিন.....১৯/০৯/২০২৫। সমগ্ৰ অসমবাসীয়ে হেৰুৱালে অসমৰ হিয়াৰ আমঠুটোক। জুবিন দা কোন সেয়া কোৱাৰ কোনো প্ৰয়োজন নাই। তেওঁ এটা জাতীয় সত্তা, অসমৰ সম্পদ। অসমৰ অভিভাৱক জুবিন দা। ২০ ছেপ্টেম্বৰৰ ৰাতিপুৱাটো জুবিনদা বিহীন প্ৰথমটো পুৱা। এতিয়াৰে পৰা ৰাতি দিন জুবিনদা নোহোৱাকৈয়ে পাৰ হ'ব। মাত্ৰ বাজি ৰ'ব তেওঁৰ গানবোৰ। মানুহ, গছ, ফুল, লতা, জীৱ -জন্তু, চৰাই-চিৰিকটি সকলো ভাল পায় মানুহজনে। ইমান মৰমিয়াল, ইমান উদাৰ তেওঁ। দুখীয়াৰ ত্ৰাণকৰ্তা, প্ৰতিটো সমস্যাৰ সমাধান তেওঁ। 'অসমত কিবা সমস্যা হ'লেও চিন্তা নাই, জুবিন দা আছে '। এয়াই আমাৰ বিশ্বাস তেওঁৰ ওপৰত।

কেতিয়াবা জুবিন দাৰ মৃত্যু হ'ব এই কথাষাৰ ভাবিলেই বুকু বিষাইছিল। এতিয়া সেয়া সঁচা হ'ল। অবিশ্বাস্য এই মৃত্যু। জুবিন দাৰ মৃত্যুত এনেকুৱা লাগিছে যেন ঘৰৰ মানুহ নাইকিয়া হ'ল। আমাৰ অভিভাৱক নাই এতিয়া, আমি নিঠৰুৱা। গৰিমা বৌয়ে পত্নী নহয়, মাতৃৰ দৰে মৰমত আৱৰি ৰাখিছিল তেওঁক। পত্নী, কন্যা, পুত্ৰৰ শোকত দগ্ধ পিতৃৰ হেৰুৱাবলৈ একো বাকী নাই। ইমান দুখ, ইমান কষ্ট। উফ্ ভাবিবই নোৱাৰি। এয়া ভগৱানৰ কেনে বিচাৰ। কি দোষ কৰিছিল জুবিন দাই। ইমান সোনকালে লৈ গ'ল তেওঁক। অসমবাসীয়ে প্ৰাৰ্থনা কৰিবলৈ এটা সুযোগ নাপালে। শেষ নিশ্বাস কণ তেওঁক অসমত ল'বলৈ নিদিলে।

জুবিন দাৰ মৃত্যুত অসমৰ গৰিমা হেৰাই গ'ল। এতিয়াৰ পৰা অসমবাসীয়ে কিহক লৈ গৌৰৱ কৰিব? কোনে গাব ঐ নাহৰ, মায়াবিনী, মায়া। সকলো ফালে মায়াবিনী বাজিছে, কিন্তু গাবলৈ জুবিনদাহে নাই। অসমবাসীয়ে শুব পৰা নাই, মাত্ৰ শুই আছে জুবিন দা। আৰু কেতিয়াও নুঠে। এতিয়াৰ পৰা সৰগ সুৰীয়া হ'ব। জোনবাইৰ দেশত ভিতালী বাৰ সতে বিহু গাব। জংকী বাৰ সৈতে গাব 'আউসীৰ জোন মোৰ', মৰমৰ অভিমান কৰিব। আমি তেওঁক দূৰৰ পৰাই চাই ৰ'ম। পাখি মেলি উৰি যোৱা জুবিন দা সাগৰৰ তলিত শুই গ'ল।

অসম এতিয়া অস্থিৰ। কোনো ভালে নাই। অসম সুস্থিৰ কৰিবলৈ জুবিন দা আপুনি আকৌ আহিব, পুনৰ জনম ল'ব। এন্ধাৰ হ'ব নোৱাৰোঁ বুলি কৈ আপুনি হঠাতে গুচি গ'ল কেতিয়াও নহা বাটেৰে। ৰৈ গ'ল এখন ফটো হৈ। আপুনি প্ৰতিজন অসমীয়াৰ হৃদয়ত থাকিব, উশাহত থাকিব। আপোনাৰ মৃত্যুত এটা যুগৰ অৱসান হ'ল। কোনেও পূৰণ কৰিব নোৱাৰে সেই ঠাই। সুখ-দুখ, হাঁহি -কান্দোন সকলোতে জুবিন দা আৰু তেওঁৰ গান। জীয়াই ৰাখিম আমি আপোনাৰ গানবোৰ। বিদায় দিব নোৱাৰোঁ আপোনাক। আপুনি আমাৰ মাজত সদায় আছে আৰু থাকিব। সৰগত আপুনি কুশলে থাকক। জয় জুবিন দা।

# সকলোকে কন্দুৱাই গ'লগৈ জুবিন দা

নিবেদিতা হাজৰিকা

প্ৰাণৰ শিল্পীজন নোহোৱা হৈ যোৱা আজি তৃতীয় দিন। এনেকৈয়ো মানুহ নোহোৱা হৈ যাব পাৰেনে? খবৰটো বিয়পি পৰিছিল খন্তেকতে। এটি অবিশ্বাস্য খবৰ। অসম অথা ভাৰতৰ প্ৰসিদ্ধ কণ্ঠশিল্পী, সংগীত পৰিচালক, এটি শিশু সুলভ মনৰ অধিকাৰী, অসম -অসমীয়াৰ সাহস, বহু জনৰ সাহস বহু জনৰ অভিভাৱক স্বৰূপ, সকলোৰে হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গদেৱৰ আকস্মিক মৃত্যুৰ বতৰা সঁচাই অকল্পনীয়। কেনেকৈ মানি লও হিয়াৰ আমঠু শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ, তেওঁ নোহোৱা হোৱাৰ বাতৰি।

এক অনন্য প্ৰতিভাৰ অধিকাৰী, জনতাক উদ্বেলিত কৰিব পৰা ঈশ্বৰপ্ৰদত্ত কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ খুবেই অসহনীয়। ছিংগাপুৰৰ লেজাৰ্ছ দ্বীপত অনাকাংক্ষিত ভাৱে মৃত্যুক আঁকোৱালি লোৱাৰ খবৰটো মানি ল'বলৈ বৰ কষ্ট হৈছে। সমগ্ৰ ৰাজ্যত আজি শোকৰ ছাঁ, শোকাকুল পৰিস্থিতি। নহ'বনো কিয়? পাখি মেলি স্নিগ্ধ জোনাক নমাই অনা এটি বৰ্ণিল যুগৰ যে অৱসান ঘটিল। হাজাৰ -হাজাৰ জনতাৰ হৃদয় জিনিবলৈ সক্ষম হোৱা শিল্পী গৰাকীয়ে অৱশেষত মৃত্যু জিনি সমুদ্ৰ বক্ষত মৃত্যুক আঁকোৱালি ল'লে আচম্বিতে। প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুত আজি সমগ্ৰ ৰাজ্য ম্ৰিয়মাণ। হাজাৰ জনৰ বুকুত অগনি জ্বলাই গুছি গ'ল এখন নেদেখা ঠাইলৈ। সকলো শ্ৰেণীৰ লোকৰ মাজতে জনপ্ৰিয় শিল্পীজনে হৃদয় আৰু আত্মাক স্পৰ্শ কৰি গুছি গ'ল। এৰি থৈ গ'ল নিজৰ সৃষ্টি আৰু সুৰ। এনে এগৰাকী কণ্ঠশিল্পীক কিদৰে জনাও বিদায়!

জনতাৰ শিল্পী, দুখীয়া আৰ্তজনৰ বাবে সদায়ে সহায় আগবঢ়োৱা, নি: সহায় জনক সৰ্বোচ্চ উজাৰি সহায় কৰা, মানুহৰ মাজত থাকি ভাল পোৱা, প্ৰকৃতি প্ৰেমী শিল্পীজনক বেয়া পোৱা মানুহৰ সংখ্যা হয়তো আঙুলিৰ মূৰত গনিব পৰা। তেখেতে সুৰ নিগৰোৱা গান সমূহৰ বাবেই জানো ইমান জনপ্ৰিয়? নহয়। জুবিন গাৰ্গ নামৰ শিল্পীজন আছিল সঁচাই পৃথক। কথন ভংগী, দৃষ্টিভংগী আছিল আনৰ লগত নিমিলা। সুৰৰ জালেৰে বন্ধাৰ উপৰিও সকলোকে বান্ধিব জানিছিল আপোনত্বৰ সুৰেৰে। এনে এজন শিল্পীক হেৰুৱাই আমি সঁচাই মৰ্মাহত। সকলোৰে হৃদয়ত স্থান পোৱা প্ৰাণৰ শিল্পীজন গুচি গ'ল অজান দেশলৈ। জুবিন দাৰ স্থান কোনেও ল'ব নোৱাৰে। তেওঁ অমৰ। জুবিন দা বিহীন বিহু মঞ্চখন উকা হৈ ৰ'ব কিন্তু প্ৰিয় শিল্পীজন জীয়াই থাকিব তেওঁৰ সৃষ্টিৰাজিৰ মাজত।

## শান্তিপূৰ্ণভাৱে সম্পন্ন পঞ্চম

প্ৰক্ৰিয়া আজি শান্তিপূৰ্ণ আৰু সুস্থভাৱে সম্পন্ন হৈছে। মুঠ ৪০টা সমষ্টিৰ বাবে অনুষ্ঠিত এই নিৰ্বাচনত পুৱা ৭: ৩০ বজাত ভোটদান আৰম্ভ হৈ দুপৰীয়া ৪ বজাৰ লগে লগে বেছিভাগ সমষ্টিত ভোটগ্ৰহণ সমাপ্ত হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, ৩, ৩৫৯টা ভোটকেন্দ্ৰত ভোটদান চলিছিল, আৰু মুঠ ৩১৬ গৰাকী প্ৰাৰ্থী অংশগ্ৰহণ কৰিছিল। বিটিআৰৰ মুঠ ভোটাৰৰ সংখ্যা ২৬ লাখ ৫৭ হাজাৰ ৯৩৭। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰ ১৩ লাখ ২৩ হাজাৰ ৩৯৯, মহিলা ভোটাৰ ১৩ লাখ ৩৪ হাজাৰ ৫২১ আৰু তৃতীয় লিংগৰ ভোটাৰ ১৭ গৰাকী। নিৰ্বাচনত জিলা অনুসৰি প্ৰাৰ্থীসকলৰ সংখ্যা হ'ল বাক্সাৰ পৰা ৫২ গৰাকী, চিৰাঙৰ পৰা ৫৬ গৰাকী, কোকৰাঝাৰত ১০০ গৰাকী, তামুলপুৰত ৪০ গৰাকী আৰু ওদালগুৰিৰ পৰা ৬৮ গৰাকী। ইয়াৰে তামুলপুৰ জিলাৰ ২৬ নং দৰংগাজুলি সমষ্টিত ৭০.৩ শতাংশ, ২৭ নং নাগ্ৰীজুলি ৬৬.১ শতাংশ, ২৮ নং গৈবাৰী ৭৩.২ শতাংশ, ২৯ নং শুক্লাই চেৰফাং ৭৪.৬ শতাংশ, ৩০ নং গোৰেশ্বৰ ৬১.৫ শতাংশ। চিৰাঙ জিলাৰ ১৩ নং চিৰাঙ ৭৮.৬৩ শতাংশ, ১৪ নং চিৰাঙ দুৱাৰ ৭৪.০৪ শতাংশ, ১৫ নং কাজলগাঁও ৭৮.৮৫ শতাংশ, ১৬ নং নিচিমা ৭৫.১২শতাংশ, ১৭ নং সুবাইঝাৰ ৭৫.৪৫ শতাংশ, ১৮ নং মানস চেৰফাং ৭৯.২১ শতাংশ, ১৯ নং থুৰিবাৰী ৭৪.৫৩ শতাংশ। ওদালগুৰি জিলাৰ মুঠ ১০টা সমষ্টিত ৬৮.৩২ শতাংশ। বিস্তাৰিত হৈছে ৩১ নং খৈৰাবাৰী ৭৩.৩৯ শতাংশ, ৩২ নং ভেৰগাঁও ৬৯.২৫ শতাংশ, ৩৩ নং নোনাই চেৰফাং ৭৩.৪২ শতাংশ, ৩৪ নং খালিং দুৱাৰ ৬৫.৫১ শতাংশ, ৩৫ নং মুদৈবড়ী ৬৪.৯১ শতাংশ, ৩৬ নং হৰিশিঙা ৭১.৪৫ শতাংশ, ৩৭ নং ধনশ্ৰী ৬৭.৫৬ শতাংশ, ৩৮ নং ভৈৰৱকুণ্ড ৬৪.৩১ শতাংশ, ৩৯ নং পাঁচনাই চেৰফাং ৬৪.০৯ শতাংশ, ৪০ নং ৰৌতা পৰিষদীয় ৬৯.৩৫ শতাংশ। বাক্সা জিলাৰ মাথানগুৰি ৬১.৩ক্স, শালবাৰী ৭১.৫ শতাংশ, কোকলাবাৰী ৬৯.২ শতাংশ, দিহিৰা ৬৬.৪ শতাংশ, মুছলপুৰ ৬৩.৫ক্স, বাগানপাৰা সমষ্টি ৬৯.৩ শতাংশ। কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিৰ মুঠ ৭৮ শতাংশ। বিস্তাৰিত হৈছে ১ নং পৰ্বতঝোৰা ৮৩.৩৯ শতাংশ, ২ নং গুমাত ৭৮.৯৪ শতাংশ, ৩ নং শ্ৰীৰামপুৰ ৮৫.৬৫ক্স, ৪ নং যমদুৱাৰ ৭৮.৬০ শতাংশ, ৫ নং শৰাইবিল ৭৮.৭২ শতাংশ, ৬ নং কচুগাঁও ৮১.৫৩ শতাংশ, ৭ নং ফকিৰাগ্ৰাম ৭৫.৫৩ শতাংশ, ৮ নং দোতমাত ৭৭ শতাংশ, ৯ নং বনৰগাঁও ৭৭.৭৪ শতাংশ, ১০ নং দেৱৰগাঁও ৭২.৪৪ শতাংশ, ১১ নং বাওখুংগ্ৰী ৭৪.৭৭ শতাংশ, ১২ নং ছালাকাটি ৭৬.৩৩ শতাংশ। নিৰ্বাচন প্ৰক্ৰিয়া সমগ্ৰভাৱে শান্তিপূৰ্ণ হৈ থকাৰ ফলত ভোটাৰসকলৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। মুঠ ভোটদানৰ হাৰৰ তথ্য পুনৰ নিৰ্ধাৰণ কৰা হৈছে, আৰু ফলাফলৰ অপেক্ষাত সকলোৱে আগ্ৰহ বৃদ্ধি পাইছে। এই নিৰ্বাচন বিটিআৰৰ ভৱিষ্যৎ শাসন ব্যৱস্থাৰ বাবে গুৰুত্বপূৰ্ণ।

## অৰুণাচল প্ৰদেশত ৫,১২৫

ফলপ্ৰসূতা সম্পৰ্কে বিস্তাৰিতভাৱে জানি লয়। ইয়াৰ পিছত প্ৰধানমন্ত্ৰীয়ে আই জি পাৰ্কত আয়োজিত এক জনসভাত অংশগ্ৰহণ কৰি ৫১২৫.৩৮ কোটি টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে চিয়ামি জিলাত নীকোৰ দ্বাৰা নিৰ্মাণৰ পৰিকল্পনা কৰা টাট' (১৮৬ মেগাৱাট) আৰু হেঅ' (২৪০ মেগাৱাট) জলবিদ্যুৎ প্ৰকল্প, যাৰ মুঠ ব্যয় প্ৰায় তিনি হাজাৰ কোটি টকা। ইয়াৰ উপৰিও, দহটা সৰু জলবিদ্যুৎ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰা হয়। এই প্ৰকল্পসমূহৰ লগতে টাৱাঙত এক আন্তঃৰাষ্ট্ৰীয় বৃহৎ আলোচনা গৃহ নিৰ্মাণৰ প্ৰকল্পও এই কাৰ্যসূচীৰ অংশ হিচাপে অন্তৰ্ভুক্ত হৈছে। এই উন্নয়নমূলক প্ৰকল্পসমূহে অৰুণাচল প্ৰদেশৰ অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ৰাজ্যখনৰ উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিক পুনৰবাৰ স্পষ্ট কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যকে আমি লক্ষ্মী দেৱীৰ ৰূপ বুলি গণ্য কৰোঁ। গতিকে এই অঞ্চলটো উন্নয়নৰ দিশত পিছ পৰি থকাটো আমি নিবিচাৰো। মোদীয়ে উল্লেখ কৰে যে ভাৰতে ২০৩০ চনৰ ভিতৰত সৌৰ, বতাহ, আৰু জল প্ৰকল্পৰ জৰিয়তে অগতানুগতিক উৎসৰ পৰা ৫০০ জিৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ কয় যে অৰুণাচল প্ৰদেশে এই দিশত দেশৰ সমান্তৰালভাৱে কাম কৰি আছে। আজি আধাৰশিলা স্থাপন কৰা এই জলবিদ্যুৎ প্ৰকল্প দুটাই ৰাজ্যখনৰ প্ৰধান শক্তি উৎপাদক হিচাপে স্থিতি আৰু অধিক শক্তিশালী কৰি হাজাৰ হাজাৰ যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। লগতে উন্নয়নমূলক কাম-কাজৰ বাবে সুলভ মূল্যৰ বিদ্যুৎ সুনিশ্চিত কৰিব বুলিও তেওঁ কয়। নে'ট জেনেৰেচন জি এছ টি সংস্কাৰ সন্দৰ্ভত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে এই সংস্কাৰৰ সৰ্বাধিক হিতাধিকাৰীৰ ভিতৰত থাকিব মহিলাসকল। তেওঁ ব্যাখ্যা কৰে যে সংস্কাৰৰ জৰিয়তে ঘৰুৱা মাহিলী খৰচ লাঘৱ হ'ব আৰু সঞ্চয় বৃদ্ধি পাব, কিয়নো আজিৰ পৰা জি এছ টি মাত্ৰ দুটা স্লেবতে সীমাবদ্ধ থাকিব, অৰ্থাৎ ৫ শতাংশ আৰু ১৮ শতাংশ। আন বহু সামগ্ৰী কৰমুক্ত কৰা হ'ব। মোদীয়ে জি এছ টি ৰাহি উৎসৱ (GST Bachat Utsav)ক সমগ্ৰ দেশৰ পৰিয়ালসমূহৰ বাবে এক স্মৰণীয় মাইলৰ খুঁটি বুলি অভিহিত কৰে।

## জুবিনৰ নশ্বৰদেহ যোৰহাটলৈ

চহৰত প্ৰৱেশৰ পূৰ্বে এই ঘাইপথত অৱৰোধৰ সৃষ্টি হৈছে। যোৰহাট আৰক্ষীৰ তৰফৰ পৰা জাৰি কৰা গুৰুত্বপূৰ্ণ ট্ৰেফিক নিৰ্দেশনাত কোৱা হৈছে যে, তিনিচুকীয়াৰ পৰা গুৱাহাটী অভিমুখী যাত্ৰীসকলে যোৰহাটৰ মাজেৰে পথ এৰাই চলিবলৈ। এই অৱৰোধৰ ফলত যাতায়াত ব্যৱস্থা ব্যাপকভাৱে বিঘ্নিত হৈছে। আৰক্ষীয়ে বিকল্প হিচাপে উত্তৰ পাৰৰ পথ ব্যৱহাৰৰ পৰামৰ্শ দিছে। এই অৱৰোধৰ মূল কাৰণ হৈছে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ শেষকৃত্যৰ বাবে তেওঁৰ নশ্বৰদেহ যোৰহাটলৈ অনাৰ দাবী। এই ঘটনাই ক্ৰমশঃ প্ৰতিবাদৰ ৰূপ লৈছে। প্ৰতিবাদস্থলীত জিলা আয়ুক্তৰ লগতে আৰক্ষী আৰু প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছে। যোৰহাট আৰক্ষীয়ে যাত্ৰীসকলক সুৰক্ষিত আৰু নিৰ্বিঘ্ন ভ্ৰমণৰ বাবে বিকল্প পথৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে সকলোকে সহযোগিতা আৰু ধৈৰ্য্য ধৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## জুবিনক অসন্মান ! উত্তপ্ত

চৌহদ উত্তাল কৰি তুলিছিল। এই প্ৰতিবাদ আজিও অব্যাহত আছে। জুবিনৰ শ্ৰদ্ধাঞ্জলিৰ বাবে অনুষ্ঠানৰ আয়োজনৰ বিষয়ে আলোচনাৰ সময়ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক শম্ভুনাথ ছিঙে ভিডিঅ' কলৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক "Don't make things funny" বুলি মন্তব্য কৰিছিল, যাৰ ফলত শিক্ষাৰ্থীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, জুবিনৰ মৃত্যুৰ পিছত ১৯ ছেপ্টেম্বৰৰ পৰা ২৩ ছেপ্টেম্বৰলৈকে ৰাজ্য চৰকাৰে ৰাজ্যিক শোক ঘোষণা কৰিছিল। কিন্তু, তেজপুৰ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই শোকৰ সময়ত ছাত্ৰ-একতা সভাৰ নিৰ্বাচনৰ আয়োজন কৰাৰ লগতে নিয়মীয়া পাঠদান অব্যাহত ৰাখিছিল। এই কাৰ্যৰ বাবে কৰ্তৃপক্ষই ক্ষমা বিচৰাও জৰুৰী বুলি নাভাবিলে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত অসন্তোষ আৰু বৃদ্ধি পাইছে। ইয়াৰ মাজতে, বিশ্ববিদ্যালয়ে জুবিনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ কথা দাবী কৰি এক ভুৱা বাতৰি প্ৰচাৰিত হোৱাৰ ঘটনাই শিক্ষাৰ্থীসকলৰ ক্ষোভক আৰু উদ্দীপ্ত কৰিছে। এই পৰিস্থিতিয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ দায়িত্বহীনতা আৰু জুবিনৰ প্ৰতি অসমীয়া ৰাইজৰ গভীৰ ভালপোৱাৰ প্ৰতি সন্মানৰ অভাৱৰ অভিযোগক প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে কৰ্তৃপক্ষৰ পৰা জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি যথাযথ শ্ৰদ্ধা আৰু স্বীকৃতিৰ দাবী জনাই প্ৰতিবাদ অব্যাহত ৰাখিছে। এই ঘটনাই তেজপুৰ বিশ্ববিদ্যালয়ত শোকৰ সময়ত কৰ্তৃপক্ষৰ সংবেদনশীলতাৰ প্ৰশ্ন উত্থাপন কৰিছে। সোমবাৰে বিয়লি কমিউনিটি হলত পঞ্জীয়ক (ভাৰপ্ৰাপ্ত) গৰাকীয়ে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ঘোষণা কৰি জাননী জাৰি কৰে। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে অধ্যাপক সিঙৰ কথিত মন্তব্যৰ বাবে ক্ষমা প্ৰাৰ্থনাৰ দাবী জনায়। জনা গৈছে যে, সোমবাৰে প্ৰতিবাদস্থলীত উপাচাৰ্য শম্ভুনাথ সিং উপস্থিত হৈছিল আৰু তেওঁ নিজৰ স্থিতিতে অটল থকাৰ অভিযোগ উত্থাপন হৈছে।

## আজি পঞ্চভূতত বিলীন

জুবিনক চিৰদিনলৈ নিজৰ বুকুত বিলীন কৰি ল'বলৈ সাজু সোণাপুৰৰ সেউজীয়া ভূমি। জুবিন গাৰ্গৰ সমাধিস্থলীৰ প্ৰতিপালনৰ লগতে তেওঁৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে দায়িত্ব ল'বলৈ সাজু সোণাপুৰবাসী। দেওবাৰে নিশাৰ পৰা যুদ্ধকালীন তৎপৰতাৰে প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থলী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি মন্ত্ৰী ৰণোজ পেগু আৰু কেশৱ মহন্তই পোনপটীয়াকৈ জুবিন গাৰ্গৰ সমাধি আৰু শেষকৃত্যৰ প্ৰস্তুতিৰ তদাৰক কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৱা ২৪ ঘণ্টাত ৩ বাৰকৈ নিজেই গৈ কমাৰকুছিত উপস্থিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে কয় যে পুৱা ৭.৩০ ৰ পৰা ৮ বজাৰ ভিতৰত সৰুসজাইৰ পৰা জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা হ'ব তেওঁৰ শেষ ঠিকনা কমাৰকুছিলৈ।

## জুবিন গাৰ্গৰ অন্তিম

এটা দুৰ্ঘটনাত দুঃখজনকভাৱে মৃত্যু ঘটে। ছিংগাপুৰ চৰকাৰে প্ৰকাশ কৰা মৃত্যু প্ৰমাণপত্ৰ অনুসৰি তেওঁৰ মৃত্যুৰ কাৰণ "ড্ৰাউনিঙ" (পানীত ডুব যোৱা) বুলি উল্লেখ কৰা হৈছে। জুবিন গাৰ্গ সেই সময়ত ছিংগাপুৰত অনুষ্ঠিত হ'বলগীয়া এক কনচাৰ্ট 'নৰ্থ ইষ্ট ফেষ্টিভেল'ত অংশগ্ৰহণ কৰিবলৈ গৈছিল। ইয়াৰ মাজতে এই দুঃখজনক খবৰ অহাৰ পাছতে উত্তৰ পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ অসমতে স্তম্ভিত নীৰৱতা নামি আহে। তেওঁৰ মৃত্যুত অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে শোক প্ৰকাশ কৰা হয়, ৰাস্তাঘাটত শোকযাত্ৰা আৰু সমাবেশ অনুষ্ঠিত হয়। প্ৰিয় শিল্পীৰ মৃত্যুৰ খবৰ শুনি সকলোৱে সেই দিনত নিজৰ ব্যৱসায়, কাম-কাজবোৰ বন্ধ ৰাখে। ৰবিবাৰে ছিংগাপুৰৰ পৰা গুৱাহাটীলৈ তেওঁৰ মৃতদেহ অনা হয়। তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আন বহুতো গণ্যমান্য ব্যক্তিয়ে ইয়াতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গুৱাহাটীত পোৱাৰ পাছত প্ৰথমে তেওঁৰ মৃতদেহ নিজৰ বাসগৃহত লৈ যোৱা হয়। তাৰ পাছত জনসাধাৰণৰ অন্তিম দৰ্শনৰ বাবে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া স্থানত ৰখা হয়। জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ দিনা গুৱাহাটীখনৰ ৰাজপথত লাখ লাখ অনুৰাগীৰে জনসমুদ্ৰ হৈ পৰে। তেওঁক অন্তিম বিদায় জনাবলৈ ১০ লাখতকৈ অধিক লোক সমবেত হয়। এই পৰিমাণৰ জনসমাগমৰ বাবে তেওঁৰ অন্তিম যাত্ৰা পৃথিৱীৰ চতুৰ্থ-সৰ্ববৃহৎ অন্তিম যাত্ৰাৰ স্বীকৃতি লাভ কৰে। ইয়াক Limca Book of Records-ত অন্তৰ্ভুক্ত কৰা হৈছে। এই তালিকাৰ প্ৰথমস্থানত আছে মাইকেল জাকছন, দ্বিতীয়ত পোপ ফ্ৰান্সিচ আৰু তৃতীয় স্থানত ৰাণী এলিজাবেথৰ অন্ত্যেষ্টি অনুষ্ঠান। অসম চৰকাৰে এই মহান শিল্পীগৰাকীৰ মহাপ্ৰয়াণৰ বাবে তিনিদিনীয়া ৰাজকীয় শোক ঘোষণা কৰে আৰু সকলো চৰকাৰী কাম-কাজ স্থগিত কৰে। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া ২৩ ছেপ্টেম্বৰত কমাৰকুচি গাঁও, সোনাপুৰত পূৰ্ণ ৰাজকীয় সম্বৰ্ধনাৰ সৈতে সম্পূৰ্ণ কৰা হ'ব। চৰকাৰ তথা বিভিন্ন দল-সংগঠনে তেওঁলোকৰ পৰিয়ালৰ ইচ্ছানুসাৰে অন্ত্যেষ্টিৰ পিছত স্মৃতিস্থল নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰিছে। গুৱাহাটীৰ লগতে যোৰহাট চহৰটো এটা স্মৃতিস্থল নিৰ্মাণ কৰা হ'ব বুলি ইতিমধ্যে প্ৰকাশ পাইছে। সংগীত সম্ৰাট জুবিন গাৰ্গে তেওঁৰ সংগীত জীৱনত ৪০তকৈ অধিক ভাষা আৰু উপভাষাত ৩৮, ০০০তকৈ বেছি গীতত নিজৰ কণ্ঠদান কৰিছে। ১৯৯২ চনত অসমীয়া গানৰ অ্যালবাম অনামিকাৰে প্ৰতিষ্ঠিত হোৱা জুবিন গাৰ্গ কেৱল অসমৰে নহয়, সমগ্ৰ পূবাঞ্চল তথা দেশজুৰি সাংস্কৃতিক আইকন হিচাপে প্ৰতিষ্ঠিত। অসমীয়া সংগীত জগতৰ মহানায়ক জুবিন গাৰ্গৰ এই অন্তিম যাত্ৰা সকলো অসমীয়াৰ হৃদয়ত সদায় অমৰ হৈ ৰ'ব। তেওঁৰ মৃত্যুত কেৱল অসমৰে নহয়, সমগ্ৰ ভাৰতীয় সংগীত জগতৰ এক অপূৰ্ণীয় ক্ষতি হৈছে।

## যোৰহাটৰ উত্তেজনাৰ আঁৰত

উত্তেজনা দেখা দিলেও, জুবিনৰ পত্নী গৰিমা গাৰ্গৰ উদ্যোগ আৰু প্ৰশাসনৰ তৎপৰতাৰ ফলত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছিল। কিন্তু যোৰহাটত এতিয়াও পৰিস্থিতি উত্তপ্ত হৈ আছে। জুবিনৰ অন্ত্যেষ্টিক্ৰিয়া যোৰহাটত সম্পন্ন কৰাৰ দাবীত একাংশ অনুৰাগীয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অজন্তা বাইপাছৰ সমীপত অৱৰোধ কৰি পৰিস্থিতি অচল কৰি তুলিছে। এক অনুসন্ধানত প্ৰকাশ পাইছে যে, এজন স্থানীয় সাংবাদিকৰ উদ্যোগত এই পৰিস্থিতি উত্তেজনাময় হৈ পৰিছে। অভিযোগ অনুসৰি, এই সাংবাদিকে জুবিনৰ মৃত্যুৰ খবৰৰ পিছতে গুৱাহাটীলৈ অনুৰাগী পঠোৱাৰ নামত লক্ষাধিক টকা সংগ্ৰহ কৰিছিল। তেওঁ জনৈক দাস নামৰ ব্যক্তিৰ সহযোগত একাংশ অনুৰাগীক বাছযোগে যোৰহাটৰ পৰা গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ উপৰিও, আন এটা সংবাদ মাধ্যমৰ সাংবাদিকে জুবিনৰ যোৰহাটৰ ঘৰৰ কথা প্ৰচাৰ কৰি শেষকৃত্য যোৰহাটত হ'ব লাগে বুলি জনমত গঠনৰ চেষ্টা চলাইছিল। এই দাবীৰ সমৰ্থনত যোৰহাটৰ কিছু সংগঠনে চৰকাৰৰ ওচৰত বিনীতভাৱে শেষকৃত্যৰ বাবে স্থানৰ ব্যৱস্থাৰ অনুৰোধ জনাইছিল। চৰকাৰেও প্ৰথমাৱস্থাত যোৰহাটত শেষকৃত্যৰ সম্ভাৱনা বিবেচনা কৰি জিলা প্ৰশাসনক উপযুক্ত স্থানৰ সন্ধানৰ নিৰ্দেশ দিছিল। যোৰহাটৰ জিলা আয়ুক্ত হিতেন গোস্বামীৰ নেতৃত্বত কেইবাটাও স্থান পৰিদৰ্শন কৰা হৈছিল। কিন্তু, যোৰহাটৰ সাংসদ গৌৰৱ গগৈ আৰু সদৌ অসম ছাত্ৰ সন্থাই জুবিনৰ পৰিয়ালৰ ইচ্ছাক সন্মান জনাই শেষকৃত্য গুৱাহাটী বা তাৰ আশে-পাশে সম্পন্ন কৰাৰ পৰামৰ্শ দিছিল। ইফালে, জুবিনৰ সমাধিক্ষেত্ৰৰ বিষয়ে ভিতৰি ভিতৰি ৰাজনৈতিক খেল চলিছিল। এই সুযোগ গ্ৰহণ কৰি কিছুমানে অনুৰাগীৰ আৱেগক উত্তেজিত কৰি পৰিস্থিতি জটিল কৰি তুলিছিল। উদ্ভগুলিৰ মাজতো প্ৰতিবাদকাৰীয়ে দোকান-পোহাৰ বন্ধ কৰাৰ লগতে পাচলি বেপাৰীৰ শাক-পাচলি ধ্বংস কৰা, বাতৰি কাকতৰ টোপোলা ছিৰা আৰু এম্বুলেঞ্চৰ চলাচলত বাধা দিয়াৰ দৰে ঘটনা ঘটিছে। এই প্ৰতিবাদৰ পিছফালে থকা স্থানীয় সাংবাদিকজনে প্ৰতিবাদকাৰীসকলক তিনি-চাৰি ঘণ্টা ধৰি ভাষণ দি উত্তেজিত কৰাৰ লগতে সামাজিক মাধ্যমত অসম বন্ধৰ আহ্বান জনোৱাৰ অভিযোগ উঠিছে। যদিও পৰৱৰ্তী সময়ত তেওঁ এনে কোনো বন্ধৰ আহ্বান দিয়া নাই বুলি স্পষ্টীকৰণ দিছিল। যোৰহাটৰ সচেতন ৰাইজে জিলা প্ৰশাসন আৰু আৰক্ষীৰ এই পৰিস্থিতি নিয়ন্ত্ৰণৰ অক্ষমতাৰ সমালোচনা কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথত হাজাৰ হাজাৰ বাহন আৱদ্ধ হৈ থকাৰ ফলত স্থানীয় লোকৰ লগতে যাত্ৰীসকলৰ মাজত তীব্ৰ অসুবিধাৰ সৃষ্টি হৈছে। দোকান-পোহাৰ বন্ধ হৈ পৰাৰ বাবে সাধাৰণ জনতা যথেষ্ট সংকটৰ মুখামুখি হৈছে। জিলা আয়ুক্তই মাজনিশা প্ৰতিবাদস্থলীত উপস্থিত হৈ পৰিস্থিতি শান্ত কৰাৰ চেষ্টা কৰিছিল যদিও উদ্ভগুলি অব্যাহত আছে। সচেতন মহলৰ মতে, জুবিনৰ নামত এনে অশান্তিৰ সৃষ্টি কৰাটো তেওঁৰ স্মৃতিৰ প্ৰতি অসন্মানৰ সমতুল্য।

## ইংৰাজী আৰু অসমীয়া

প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰিব। গ্ৰাম্য আৰু স্থানীয় ভাষা মাধ্যমৰ প্ৰাৰ্থীৰ ভাষাৰ বাধা দূৰ কৰাৰ লক্ষ্যৰে কেবিনেটে এই অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, এই সিদ্ধান্তৰ জৰিয়তে বিভিন্ন ভাষিক পটভূমিৰ প্ৰাৰ্থীৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাটো অধিক সুলভ হ'ব। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ প্ৰাৰ্থীসকলৰ বাবে যিসকলে হয়তো অসমীয়া ভাষাত অধিক আৰামদায়ক হ'ব পাৰে। কিন্তু পৰীক্ষা প্ৰক্ৰিয়াৰ বাবে কিছুমান প্ৰামাণিককৰণৰ প্ৰয়োজনীয়তা বজাই ৰাখি সাধাৰণ অধ্যয়নৰ গৱেষণা পত্ৰ-II ৰ বুজাবুজি অংশ কেৱল ইংৰাজী ভাষাত নিৰ্ধাৰণ কৰি থাকিব। এই পদক্ষেপে স্থানীয়ভাষা মাধ্যমৰ বিদ্যালয় আৰু গ্ৰাম্য সমষ্টিৰ পৰীক্ষাৰ্থীসকলৰ মাজত অসামৰিক সেৱাৰ পৰীক্ষাত অংশগ্ৰহণ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে, যিসকলে পূৰ্বে এই সুযোগসমূহ লাভ কৰাৰ ক্ষেত্ৰত ভাষা সম্পৰ্কীয় প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।

## ভিআইপি-ভিভিআইপিৰ

থাকিব লাগিব। সৰুসজাইৰ পৰা শেষকৃত্যৰ স্থানলৈ জুবিনৰ নশ্বৰদেহ এম্বুলেঞ্চত লাহে লাহে লৈ যোৱা হ'ব আৰু এই শোভাযাত্ৰাত অন্য কোনো বাহনৰ স্থান নাথাকিব। পথৰ দুয়োপাৰৰ পৰা ৰাইজে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ সুযোগ পাব। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে এই অনুষ্ঠানত উপস্থিত থাকিব। অসম চৰকাৰৰ তৰফৰ পৰা অসম বিধানসভাৰ অধ্যক্ষ, মুখ্যমন্ত্ৰী, বিৰোধী দলপতি, অসম সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক তথা আছুৰ দুজনীয়া প্ৰতিনিধিক নিমন্ত্ৰণ জনোৱা হৈছে। ইয়াৰ উপৰিও, মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰীসভাৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো এই শেষকৃত্যত অংশগ্ৰহণ কৰিব। চলচ্চিত্ৰ জগতৰ পৰাও এজন প্ৰতিনিধিৰ উপস্থিতিৰ বাবে চৰকাৰে আহ্বান জনাইছে। মন্ত্ৰী বিমল বৰা, ৰণোজ পেগু আৰু কেশৱ মহন্তৰ দৰে কিছুমান নিৰ্দিষ্ট ব্যক্তিয়ে নিৰাপত্তা আৰু ব্যৱস্থাপনাৰ দায়িত্বত থাকিব। কিন্তু, অন্য মন্ত্ৰী বা বিধায়কৰ বাবে কোনো বিশেষ ব্যৱস্থা নকৰা হ'ব। শেষকৃত্যৰ পিছত জুবিনৰ অস্থি তেওঁৰ পৰিয়ালৰ হাতত অৰ্পণ কৰা হ'ব। সাংস্কৃতিক বিভাগে ভস্ম সংৰক্ষণৰ দায়িত্ব গ্ৰহণ কৰিব। শেষকৃত্যৰ স্থানটো তাৎক্ষণিকভাৱে বেৰ দি বন্ধ কৰা হ'ব, আৰু ১০-১২ দিনৰ পিছত সীমান্ত বেৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিছে যে, মঙলবাৰে দুপৰীয়া ২ বজাৰ পিছত কোনো ব্যক্তিয়ে দোকান-পোহাৰ বন্ধ কৰিবলৈ চেষ্টা কৰিলে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। আজি নিশা জুবিনৰ নামত উদ্ভগুলি কৰাসকলক গ্ৰেপ্তাৰৰ নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ উপৰিও, যোৱা কেইদিনত জুবিনৰ প্ৰতি অসন্মানজনক আচৰণ কৰাসকলৰ বিৰুদ্ধে গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। জুবিনৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত যিকোনো তথ্য থাকিলে সেইটো চি আই ডিৰ হাতত অৰ্পণ কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। সামাজিক মাধ্যমত গৰিমা শইকীয়া গাৰ্গৰ বিৰুদ্ধে অশোভনীয় মন্তব্যকাৰীসকলকো চি আই ডিৰ জৰিয়তে চিনাক্ত কৰি ব্যৱস্থা লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কৈছে যে, তথ্যৰ ভিত্তিত দিয়া সকলো তথ্যক সন্মানেৰে গ্ৰহণ কৰা হ'ব। ইফালে, অসম আৰক্ষীৰ এটা বিশেষ দল শীঘ্ৰেই ছিংগাপুৰলৈ প্ৰেৰণ কৰা হ'ব, যিয়ে জুবিনৰ মৃত্যুৰ সৈতে জড়িত সমগ্ৰ ঘটনাৰ তথ্য সংগ্ৰহ কৰিব। এই ব্যৱস্থাসমূহৰ জৰিয়তে জুবিন গাৰ্গৰ শেষকৃত্য শান্তিপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণভাৱে সম্পন্ন কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি প্ৰকাশ পাইছে।

## জুবিন গাৰ্গৰ চিতাভস্ম

শেষযাত্ৰা আৰম্ভ হ'ব মঙলবাৰে পুৱা ৮ বজাত। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি, সোণাপুৰৰ অন্ত্যেষ্টিক্ৰিয়াস্থলীলৈ ৫, ০০০ৰ পৰা ৭, ০০০ লোককহে উপস্থিত থাকিবলৈ অনুমতি দিয়া হ'ব। তেওঁ গুণমুগ্ধসকলক নিজ নিজ স্থানত থাকি জুবিনৰ শেষকৃত্যৰ অনুষ্ঠান প্ৰত্যক্ষ কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে মঙলবাৰে অসমৰ সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বন্ধ থাকিব। শেষযাত্ৰাৰ সমগ্ৰ পৰ্ব সৰুসজাইৰ পৰা সোণাপুৰলৈ ভিডিঅ' ৰেকৰ্ডিং কৰা হ'ব। চৰকাৰৰ তৰফৰ পৰা বিভিন্ন জিলাত LED স্ক্ৰীনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও, গাঁৱৰ ৰাজহুৱা স্থানত টিভিৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে স্থানীয় প্ৰশাসনক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে সতৰ্ক কৰি কৈছে যে, শেষযাত্ৰাত ইচ্ছাকৃতভাৱে বিশৃংখল সৃষ্টিকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সৰুসজাই আৰু বিমানবন্দৰত উৎপাত সৃষ্টিকাৰীসকলৰ বিৰুদ্ধেও আইনী ব্যৱস্থা লোৱাৰ কথা তেওঁ উল্লেখ কৰিছে। এই ব্যৱস্থাসমূহে জুবিন গাৰ্গৰ শেষযাত্ৰা আৰু মাংগলিক অনুষ্ঠানক মৰ্যাদাপূৰ্ণ আৰু শান্তিপূৰ্ণ কৰি তুলিব বুলি আশা কৰা হৈছে।

## আজি পুনৰ মৰোণোত্তৰ

শেষযাত্ৰা আৰম্ভ হ'ব। জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এই পুনৰ মৰণোত্তৰ পৰীক্ষাৰ সিদ্ধান্তক সমৰ্থন জনাইছে। ৰাইজৰ দাবীৰ প্ৰতি সন্মান প্ৰকাশ কৰি ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে যে, জুবিনৰ মৃত্যুৰ সন্দৰ্ভত ৰুজু হৈ থকা সকলো গোচৰ চি আই ডিৰ হাতলৈ হস্তান্তৰ কৰা হ'ব। ইয়াৰ উপৰিও, জুবিনৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰতি অপমানজনক মন্তব্য বা কাৰ্যকলাপত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ কথাও ঘোষণা কৰা হৈছে। এই সিদ্ধান্তই জুবিনৰ মৃত্যুৰ কাৰণৰ বিষয়ে স্পষ্টতা আনিবলৈ আৰু তেওঁৰ প্ৰতি সন্মান জনোৱাৰ লগতে শোকাহত অনুৰাগীসকলৰ আৱেগক গুৰুত্ব দিয়াৰ প্ৰচেষ্টাৰ ইংগিত দিয়ে। ৰাজ্য চৰকাৰে শেষকৃত্যৰ সকলো প্ৰক্ৰিয়া মৰ্যাদাৰে সম্পন্ন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলিও জানিবলৈ দিয়া হৈছে।

## বিটিচিত বিপিএফএ

সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰিছে। তেওঁ পত্নী শিউলী মহিলাৰীৰ সৈতে দেৱৰগাঁও সমষ্টিৰ দেৱৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোট প্ৰদান কৰে। ভোটদানৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি হাগ্ৰামা মহিলাৰীয়ে দৃঢ়তাৰে কয় যে, বিপিএফ এই নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা অৰ্জন কৰি বিটিচিত চৰকাৰ গঠন কৰিব। তেওঁ কয়, "এইবাৰ আমি প্ৰত্যাশাতকৈ অধিক আসন লাভ কৰিম।" লগতে, তেওঁ সকলো ভোটাৰক শান্তিপূৰ্ণভাৱে ভোটদানৰ জৰিয়তে গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিটিআৰৰ এই নিৰ্বাচন অঞ্চলটোৰ ৰাজনৈতিক ভৱিষ্যতৰ বাবে গুৰুত্বপূৰ্ণ। হাগ্ৰামাৰ এই দাবীয়ে বিপিএফৰ সমৰ্থকসকলৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে। নিৰ্বাচনৰ ভোটগ্ৰহণ পৰ্ব শান্তিপূৰ্ণভাৱে চলি থকাৰ মাজতে প্ৰশাসনৰ কঠোৰ নিৰাপত্তা ব্যৱস্থাই পৰিস্থিতি স্বাভাৱিক ৰাখিছে।

## কেন্দ্ৰীয় চৰকাৰৰ অব্যৱহৃত


যে নতুনকৈ দুই হাজাৰ কোটি টকাৰ কেন্দ্ৰীয় পুঁজি আবণ্টন কৰা হ'ব। কিন্তু তাৰ আগতে অব্যৱহৃত ধনৰাশি ঘূৰাই দিয়াৰ কাম সম্পূৰ্ণ কৰিব লাগিব। স্বাস্থ্য, কৃষি, শিক্ষা আৰু গ্ৰাম্য উন্নয়নৰ দৰে প্ৰধান বিভাগসমূহৰ মুৰব্বী বিষয়াসকলক ইতিমধ্যেই ততাতৈয়াকৈ কাম সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

## ছেপ্টেম্বৰ মাহত আগতীয়াকৈ

নিৰ্ধাৰিত এক তাৰিখৰ সলনি এইবাৰ অহা ২৩ ছেপ্টেম্বৰ অৰ্থাৎ কাইলৈৰ পৰাই দৰমহাৰ ধন মুকলি কৰি দিয়া হ'ব। ট্ৰেজাৰীসমূহক এই বিষয়ে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। উৎসৱৰ বতৰত চৰকাৰী কৰ্মচাৰীসকলক সকাহ দিয়াৰ উদ্দেশ্যে চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে অহা সপ্তাহৰ পৰাই সমগ্ৰ দেশজুৰি উলহ-মালহেৰে দুৰ্গা পূজা পালন কৰা হ'ব।

## চৰকাৰী নিৰ্দেশকো কেৰেপ নকৰে মোৰাঝাৰৰ এখন বিদ্যালয়ে

**অসম বাৰ্তা, মোৰাঝাৰ, ২২ ছেপ্তেম্বৰঃ** হাৰ্টথ্ৰ'ৰ জুবিনৰ শোকাকুল পৰিৱেশৰ মাজতে পৰীক্ষা পতাকলৈ জুবিনপ্ৰেমী আৰু অভিভাৱকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰী নিৰ্দেশকো কেৰেপ কৰা নাই হোজাই জিলাৰ এখন বিদ্যালয়ে। ৰাজ্যৰ শিক্ষা মন্ত্ৰীয়ে ছমহীয়া পৰীক্ষাকে ধৰি সকলো ধৰণৰ পৰীক্ষা বাতিল কৰি ৰাজ্যিক শোক ঘোষণা কৰিছে। হোজাই জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকেও এক নিৰ্দেশযোগে পৰীক্ষা বাতিল কৰিছে। তেনেসময়ত মোৰাঝাৰৰ চৌধুৰী বজাৰৰ আল ইছলাহ নেশ্বনেল একাডেমি নামৰ ইংৰাজী মাধ্যমৰ বিতৰ্কিত স্কুলখনে আজিও পৰীক্ষা পতাৰ খবৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে আজি ছমহীয়া পৰীক্ষাৰ অসমীয়া বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হয়। এই সংক্ৰান্তত ছাত্ৰ নেতা সকলে বিদ্যালয়খনৰ অধ্যক্ষক প্ৰশ্ন কৰাত তেওঁ আত্মপক্ষ সমৰ্থনত উত্তৰ দিয়াৰ লগতে আওপকীয়াকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা স্বীকাৰ কৰে। ইয়াকে লৈ প্ৰতিক্ৰিয়া আৰম্ভ হোৱাৰ পিছতে পৰীক্ষাৰ অন্তত অনুষ্টুপীয়াকৈ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতে বিদ্যালয় কৰ্তৃপক্ষই। চৰকাৰী নিৰ্দেশ নমনা এই বিদ্যালয়ে অসমীয়াৰ আৱেগ অনুভূতিক লৈ খেলি থকা ঘটনা কোনেও সহজে লব পৰা নাই। যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰব জুবিনৰ অকাস্মিক বিয়োগৰ শোকাকুল পৰিৱেশত ৰাজ্যবাসী ডুব যোৱাৰ মাজতে বিদ্যালয় কৰ্তৃপক্ষৰ এনে কাণ্ডৰ বিৰুদ্ধে হোজাই শিক্ষা বিভাগে কি ব্যৱস্থা লয় সেয়া সময়ত লক্ষণীয় হব। উল্লেখ্যে যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়খনৰ বিভাগীয় কোনো পঞ্জীয়ন নথকাৰ বাবে চৰকাৰী গাইড লাইনক বুঢ়া আঙুলি দেখুৱাই শিক্ষাৰ নামত ৰমৰমীয়া ব্যৱসায় চলাই গৈছে।



### জ্ঞান বিকাশ বিদ্যাপীঠত জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি বিচাৰি সৰ্বধৰ্মীয় প্ৰাৰ্থনা

## ৰূপহীহাটৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলিৰ আয়োজন

**অসম বাৰ্তা ৰূপহীহাট, ২১ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ উত্তৰাঞ্চলৰ বৃহত্তৰ ৰূপহী-চামগুৰি সচেতন নাগৰিক মঞ্চৰ উদ্যোগত জ্ঞান বিকাশ বিদ্যাপীঠত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰে। প্ৰতিটো ধৰ্মৰ ধৰ্মীয় গুৰুৱে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনাৰে কোৰানপাঠ, ভাগৱত পাঠ কৰে। আজি গুৱাহাটীত জুবিৰ গাৰ্গৰ নশ্বৰদেহ আহি পোৱাৰ সময়তে ৰূপহীহাটতো শোকস্তব্ধ ৰাইজে জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে। নাগৰিক মঞ্চৰ হৈ হাতীচোং মহাবিদ্যালয়ৰ অধ্যাপক নেকিবুৰ ৰহমানে জুবিন গাৰ্গক অমৰ ৰখাৰ বাবে প্ৰতিটো অনুষ্ঠান জুবিনৰ এটি গানেৰে আৰম্ভ কৰাৰ আহ্বান জনায়। ইয়াৰোপৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ স্বত্বাধিকাৰী অধিবক্তা শ্বাহিদুৰ ৰহমানে জুবিন গাৰ্গৰ মৃত্যু দিনটোক জুবিন দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লবলৈ চৰকাৰক আহ্বান জনায়। ইয়াৰোপৰি অকাল বিয়োগ ঘটা শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ গড়াজান নাগৰিক মঞ্চ, জিউমাৰী বজাৰ সমিতি, শিঙিমাৰী সচেতন ৰাইজ, কলিয়াবৰ জিলা আমছুৰ উদ্যোগত শিঙিমাৰী আঞ্চলিক আমছুৰ সহযোগত, চামগুৰি বিজেপিৰ মণ্ডলৰ কাৰ্যালয়ত পৃথকে পৃথকে অনুষ্ঠানৰ আয়োজন কৰি শিল্পী গৰাকীলৈ শ্ৰদ্ধা জনায়। উল্লেখ্য কালিৰে পৰা উত্তৰ নগাঁৱৰ ৰূপহী, শিঙিমাৰী, আমবাগান, লাওখোৱা, বৰমা, তাৰাবাৰী আদি অঞ্চলত ৰাইজৰ উদ্যোগত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ অনুষ্ঠান আয়োজন কৰাৰ লগতে গোটেই সৰু-বৰ অঞ্চলৰ সকলো বজাৰ-সমাৰ, অনুষ্ঠান আদি স্বতস্ফূৰ্তভাৱে বন্ধ ৰাখি প্ৰাণৰ আপোন জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰে।

## তিনিচুকীয়াৰ ছৈখোৱাত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ছৈখোৱা, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰাণৰো প্ৰাণ স্বনামধন্য শিল্পী সদ্য প্ৰয়াত জুবিন গাৰ্গলৈ ছৈখোৱাৰ বিভিন্ন ঠাইত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সমূহীয়া বন্তি প্ৰজ্বলন তথা ৰেলী বাহিৰ কৰে অঞ্চলটোৰ স্থানীয় লোকসকলে। ছৈখোৱাৰ ধলা বজাৰৰ মাজমজিয়াত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাই স্থানীয় বিভিন্ন দল-সংগঠন তথা ধলা বজাৰবাসী ৰাইজৰ সহযোগত শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পৰৱৰ্তী সময়ত ধলা বাছ চালক সন্থাই বাছ আস্থানৰ সন্মুখত, ন-বৰমূৰা গাঁৱৰ যুৱ সমাজ, লাফাংকলা গাঁৱৰ যুৱ সমাজ, বৰমূৰা গাঁওবাসীয়ে সমদল বাহিৰ কৰাৰ লগতে ধলা মহজিদ পট্টি জুবিনপ্ৰেমী ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অন্যহাতে ছৈখোৱা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন সমিতি আৰু ধলা বজাৰ পৰিচালনা সমিতিয়ে ধলা বজাৰত সুউচ্চ জুবিন দাৰ প্ৰতিচ্ছবিত সমূহ ধলাবাসীৰ সহযোগত জুবিন দাক সৎকাৰ নকৰালৈকে বন্তি প্ৰজ্বলন কাৰ্যসূচী অব্যাহত ৰাখিছে।

## আমগুৰিত জুবিন গাৰ্গৰ প্ৰতি বিভিন্ন জনৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ২২ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমবাসীক শোক বিহ্বল কৰি কোনো দিনেই ঘূৰি নহা দেশলৈ গুচি যোৱা অসম গৌৰৱ জুবিন গাৰ্গৰ প্ৰতি বিভিন্ন স্থানত অব্যাহত আছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। শিৱসাগৰ জিলাৰ আমগুৰিৰ লালিমচাপৰি গাঁও পঞ্চায়ত প্ৰাংগনত যোৱা ২১ ছেপ্তেম্বৰত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত, মৌন প্ৰাৰ্থনা, বন্তি প্ৰজ্বলনেৰে শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আঞ্চলিক সদস্য জীৱন ফুকন, পঞ্চায়ত সভানেত্ৰী মণীকা গগৈ আৰু উপ সভানেত্ৰী লুটফা আহমেদে। আনহাতে দোপদৰ কেন্দ্ৰীয় বহাগী বিদায় উৎসৱ উদযাপন সমিতি তথা স্থানীয় ৰাইজৰ সহযোগত আমগুৰি দোপদৰতো বন্তিপ্ৰজ্বলন আৰু মৌণ প্ৰাৰ্থনাৰে মৰমৰ শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মৌলানা আব্দুল ৰাহাৰ, পদ্মেশ্বৰ গগৈ আৰু মাছুদ আলমে। অনুষ্ঠানত জুবিন গাৰ্গৰ মায়াবীনি ৰাতিৰ বুকুত গীতটো সমজুৱা ভাবে পৰিবেশন কৰা হয়।

## আটছা কেন্দ্ৰীয় সমিতিৰ আহ্বানলৈ পূৰ্ণ সঁহাৰি খুমটাইৰ আটছাৰ বিষয়ববীয়াৰ

**অসম বাৰ্তা, খুমটাই, ২২ ছেপ্টেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পিছত চতুৰ্থটো দিনতো স্তব্ধ হৈ পৰিছে ৰাজ্যৰ স্বাভাৱিক জীৱন যাত্ৰা। কালিলৈ অৰ্থাৎ ২৩ ছেপ্টেম্বৰত হাৰ্থথ্ৰৱ জুবিন দাৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। তাৰ পৰিপ্ৰেক্ষিতত অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছা কেন্দ্ৰীয় সমিতিয়ে অসমৰ সমূহ চাহ বাগিচালৈ এক নিৰ্দেশনা যোগে কালিলৈ বন্ধৰ জাননী প্ৰেৰণ কৰিছে। প্ৰিয় শিল্পী গৰাকীক সমূহ চাহ বাগিচাৰ ৰাইজে বিদায় জনাব পাৰে তাৰ বাবে তেওঁলোকে এই বন্ধ ঘোষণা কৰিছে। সেই নিৰ্দেশনাক আদৰণী জনায় খুমটাইৰ শাওঁতলী চাহ বাগিচাৰ আটছাৰ বিষয়ববীয়া সকলেও ৰাজ্যৰ চাহ বাগিচাৰ ৰাইজক জুবিন গাৰ্গৰ শেষ যাত্ৰাত অংশগ্ৰহণ কৰিজন শিল্পী গৰাকীক বীৰোচিত বিদায় জনাবলৈ আহ্বান জনাইছে। লগতে শিল্পী গৰাকীৰ চাহ জনজাতিৰ সংস্কৃতিৰ প্ৰতি শিল্পী গৰাকীৰ অনবদ্য অৱদানৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ প্ৰতিখন চাহ বাগিচালৈ জুবিন গাৰ্গৰ নামত সংস্কৃতিক প্ৰতিষ্ঠান ঘোষণা কৰাৰো দাবী জনাইছে।

## জুবিন গাৰ্গক অশ্লীল ভাষাৰে অপমান কৰা ডবকাৰ যুৱকক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মোৰাঝাৰ, ২২ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুতে সমগ্ৰ ৰাজ্যত শোকৰ ছাঁ নামি আহিছে। লাখ লাখ অনুৰাগীয়ে শোকত ভাগি পৰিছে। ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেনে সময়তে সামাজিক মাধ্যমত ডবকাৰ এজন যুৱকে অসমীয়াৰ হিয়াৰ আমঠু জনপ্ৰিয় কণ্ঠশিল্পী গৰাকীক লৈ অশ্লীল মন্তব্য কৰাৰ পিছতে সমগ্ৰ হোজাই জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। যুৱকজনৰ ঘৰ ডবকাৰ ভগিৰাম গাঁৱৰ মাধৱ চন্দ্ৰ দৈমাৰী ওৰফে গগৈ বুলি চিনাক্ত হোৱাৰ পিছতে হোজাই জিলা আমছুৰ কৰ্মীসকলে তেওঁক বিচাৰি অভিযান চলাই আটক কৰি আৰক্ষীক চমজাই দিয়ে। অৱশেষত ডবকা আৰক্ষীয়ে মাধৱ চন্দ্ৰ দৈমাৰীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এই ঘটনাক লৈ হোজাই জিলা আমছুৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে- যিকোনো পৰিস্থিতিতো অসমবাসীৰ গৌৰৱ, অসমীয়া সংস্কৃতিৰ প্ৰতীক জুবিন গাৰ্গক অসম্মানজনকভাৱে গালি-গালাজ, অশ্লীল মন্তব্য কৰা ন্যায় সঙ্গত নহয় বুলি মন্তব্য কৰে। অসমবাসীৰ শোকৰ সময়ত এনে কু-কাৰ্য কৰাৰ বাবে যুৱকজনক কঠোৰ শাস্তিৰ দাবী জনাইছে সচেতন মহলে।

## বৃহত্তৰ নমাটি অঞ্চলত অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী, সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নমাটি, ২১ ছেপ্টেম্বৰ ঃ** এক বিৰল প্ৰতিভাৰ অধিকাৰী বিশিষ্ট কণ্ঠশিল্পী, সংগীত আৰু বোলছবি পৰিচালক তথা প্ৰযোজক, গীতিকাৰ, সুৰকাৰ, অভিনেতা জুবিন গাৰ্গৰ অকাল মৃত্যুত নলবাৰী জিলাৰ বৃহত্তৰ নমাটিৰ বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নমাটি কদমতল চ'কত নমাটি সৰ্বজনীন দুৰ্গাপূজা উদ্‌যাপন সমিতিৰ উদ্যোগত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উদ্‌যাপন সমিতিৰ লগতে উপস্থিত ৰাইজেও জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰে। নিজ-নমাটি -ওজাপাৰা ৰঙালী বিহু সন্মিলনী আৰু ওজাপাৰা গাওঁ উন্নয়ন সমিতিৰ উদ্যোগত ৰাজহুৱাকৈ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। জুবিন গাৰ্গৰ মৃত্যুত নাথকুছি ব্যৱসায় সন্থাৰ উদ্যোগতো নাথকুছি(টিহু চ'ক)ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰিও ভাল্লা চ'কত পশ্চিম নমাটি বাৰোৱাৰী শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন সমিতি, শনি পূজা উদ্‌যাপন সমিতি আৰু পশ্চিম নমাটি ৰঙালী বিহু সন্মিলনৰ উদ্যোগত ৰাজহুৱাভাৱে শ্ৰদ্ধা জনায়। আনহাতে নিজ-নমাটিস্থিত নমাটি হাইস্কুল খেল পথাৰ, ভূৰকুছি, বয়োপাৰাতো জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

### ডিব্ৰুগড়ৰ উৰণ সেঁতু জুবিন গাৰ্গৰ নামত নামকৰণৰ দাবী

## ডিব্ৰুগড়ত জুবিনৰ মৃত্যুত জাতীয় ঐক্য পৰিষদৰ শোক

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ২২ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ত "আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ"ৰ সন্মুখত থকা ড° লীলা গগৈ উৰণ সেতুৰ সমীপত "জুবিন গাৰ্গ"ৰ আত্মাৰ সদ্‌গতি কামনা কৰি জাতীয় ঐক্য পৰিষদ অসম, আৰু ৰাইজৰ সহযোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে আকাশবাণী ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক লোহিত ডেকা। পৰিষদৰ মুখ্য উপদেষ্টা নাচিৰ চুলতান, উপদেষ্টা মনিৰ উদ্দিন আহমেদ, সভাপতি ইমৰাণ হুছেইন, প্ৰচাৰ সম্পাদক কমৰুজ আহমেদৰ লগতে সম্পাদক আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকি শ্ৰদ্ধাৰে মহান শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰে স্মৰণ কৰে। জাতীয় ঐক্য পৰিষদৰ সাংস্কৃতিক সম্পাদক ৰাতুল আলিয়ে লগতে ৰাইজৰ উপস্থিতিত "আমোলাপট্টী- পাচঁআলি সংযোগী পথ"ত নিৰ্মাণ হ'বলগীয়া উৰণীয়া সেতুখন মহান শিল্পী "জুবিন গাৰ্গ"ৰ নামেৰে নামকৰণ কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে ক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হয়।

## জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই মঙ্গলবাৰে চাহ বাগিছা বন্ধ ৰখাৰ আহ্বান অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত প্ৰতি গৰাকী অসমবাসী ৰাইজক মৰ্মাহত কৰিছে। অসমৰ লগতে সমগ্ৰ দেশবাসীয়ে শোক প্ৰকাশ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সেয়েহে ২৩ ছেপ্টেম্বৰ ২০২৫ তাৰিখ মঙ্গল বাৰৰ দিনটোত এই মহান শিল্পী গৰাকীৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰিব। উক্ত দিনটোত অসমৰ প্ৰতিখন চাহ বাগিছা, কল-কাৰখানা বন্ধ ৰাখি জুবিন গাৰ্গক শেষ শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে চাহ শ্ৰমিক ৰাইজক আহ্বান জনাই সংবাদ মাধ্যমলৈ এক প্ৰেছ বিবৃত্তি প্ৰেৰণ কৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সম্পাদক ক্ৰমে ধীৰাজ গোৱালা আৰু জগদীশ বৰাইকে।

## শ্যামকানু মহন্ত, অভিমন্যু তালুকদাৰ, সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে নাহৰকটীয়া থানাত এজাহাৰ দাখিল

**অসম বাৰ্তা, নাহৰকটীয়া, ২২ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়া আমঠু তথা সুৰৰ সম্ৰাত জুবিন গাৰ্গক হেৰুৱাই দিশহাৰা হৈ পৰা ৰাজ্যবাসী তথা তেওঁৰ অনুৰাগী সকলে সহজে মানি ল'ব পৰা নাই হাৰ্টথ্ৰৱ গৰাকী মৃত্যু। সেয়েহে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত বিচাৰি তথা দুষীক কঠোৰতম শাস্তিৰ দাবীৰে আজি নাহৰকটীয়াৰ জুবিন অনুৰাগী আলফাট আহমেদে নাহৰকটীয়া থানাত দাখিল কৰে এজাহাৰ। উল্লেখ্য যে আলফাট আহমেদে তেওঁৰ এজাহাৰত এইয়া এক বৃহৎ ষড়যন্ত্ৰ তথা পৰকল্পিত হত্যাকাণ্ড হোৱাৰ সন্দেহ ব্যক্ত কৰিছে। তদুপৰি নৰ্থ ইষ্ট ফেষ্টিবেলৰ উদ্যোক্তা শ্যামকানু মহন্ত, ছিংগাপুৰস্থ অসম এছ'চিয়েনৰ সভাপতি অভিমন্যু তালুকদাৰ আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক তদন্তৰ আওটালৈ আনি সঠিক তদন্তৰে যদি দোষী হয় কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে অনুৰাগীজনে।

























◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন